




গুৱাহাটী আৰু নগাঁৰৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ৮ আগষ্ট ২০২৫/২৩ শাওন ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ১৪ ● Vol - 16, Issue - 16


## আমিনগাঁৱত শৰাইঘাট হ্ৰদৰ উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধন প্ৰকল্প আনুষ্ঠানিকভাৱে মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে





**ৰমেন ভৰালী, বংশৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ৪ আগষ্টত কামৰূপ জিলাৰ আমিনগাঁৱত শৰাইঘাট হ্ৰদৰ উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধন প্ৰকল্পটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে, অসম চৰকাৰৰ পৰ্যটন বিভাগৰ অধীনত ৰূপায়ণ কৰা এই প্ৰকল্পটোৰ বাবদ মুঠ ব্যয় হৈছে ৫.৯৬ কোটি টকা। প্ৰায় ৭ বিঘা ৪ কঠা ভূমি সামৰি এই প্ৰকল্পত পৰ্যটনকেন্দ্ৰিক আন্তঃগাঁথনি নিৰ্মাণৰ লগতে সেউজ পৰিৱেশসহ অৱসৰ-বিনোদনৰ বহু সা-সুবিধা গঢ়ি তোলা হৈছে। বৃহত্তৰ অঞ্চলটোৰ নৱতম আন্তঃগাঁথনি হিচাপে এই প্ৰকল্পত বাঁহৰ ছাঁ ঘৰ, ফুড কোৰ্ট, শিশুৰ খেলা-ধূলাৰ স্থান, আলোকসজ্জা আদি সংযোজন কৰা হৈছে। তদুপৰি প্ৰকল্পটোত ১০০ ৰো অধিক যান-বাহন ৰাখিব পৰাৰ ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে এই প্ৰকল্পত সন্নিৱিষ্ট জলক্ৰীড়াকে ধৰি বিভিন্ন সা-সুবিধাসমূহ বিগত দুমাহ ধৰি পৰীক্ষামূলকভাৱে চলোৱাৰ অন্তত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হৈছে। উদ্বোধন হোৱা এই প্ৰকল্পই যথেষ্ট সংখ্যক পৰ্যটকক আমিনগাঁৱলৈ আকৰ্ষণ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে মন্তব্য কৰে যে আগন্তুক সময়ত এই প্ৰকল্পত বহুকেইবিধ জলক্ৰীড়াৰ সুবিধা সন্নিৱিষ্ট কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে সতীৰ্থ মন্ত্ৰীসকলৰ সৈতে শৰাইঘাট হ্ৰদত কিছুসময়ৰ বাবে নৌকাবিহাৰো কৰে। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ন্যায়িক তথা পৰ্যটন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, *১০ পৃষ্ঠাত*

## কামৰূপৰ জিলা আয়ুক্ত কাৰ্যালয় চৌহদত জাতিৰ পিতাৰ প্ৰতিমূৰ্তি উন্মোচন-মুখ্যমন্ত্ৰীৰ

### চলিত বৰ্ষৰ শেষৰফালে আৰম্ভ হ'ব জুডিচিয়েল টাউনশ্বিপৰ নিৰ্মাণকাৰ্য ঃ মুখ্যমন্ত্ৰী




**ৰমেন ভৰালী, বংশৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ৪ আগষ্টত কামৰূপৰ সংহত জিলা আযুক্ত কাৰ্যালয় চৌহদত জাতিৰ পিতা মহাত্মা গান্ধীৰ এটা প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কামৰূপ জিলাৰ সংহত জিলা আযুক্ত কাৰ্যালয়ত স্থাপন কৰা গান্ধীজীৰ এই প্ৰতিমূৰ্তিয়ে সকলোকে জাতিৰ পিতাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰৰ সেৱাত ব্ৰতী হ'বলৈ অনুপ্ৰেৰণা যোগাব। তেওঁ লগতে কয় যে ৰংমহলত নিৰ্মাণ হ'বলগীয়া অত্যাধুনিক জুডিচিয়েল টাউনশ্বিপৰ বাবে ভূমি অধিগ্ৰহণ কৰা লোকসকলক ভূমি অধিগ্ৰহণৰ ক্ষতিপূৰণ আদায় দিয়াৰ পিছত লোকনিৰ্মাণ বিভাগে এতিয়া জুডিচিয়েল টাউনশ্বিপ নিৰ্মাণৰ দিশত অগ্ৰসৰ হ'ব পাৰিব। প্ৰায় ১২৯ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া এই জুডিচিয়েল টাউনশ্বিপত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনকে ধৰি বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে সদৰী কৰে যে চলিত বৰ্ষৰ শেষৰফালে নিৰ্মাণ আৰম্ভ হ'বলগীয়া এই জুডিচিয়েল টাউনশ্বিপখন *১০ পৃষ্ঠাত*

## জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশাসনিক পৰ্যবেক্ষক সহায়ক বিপুল চন্দ্ৰ বৰালৈ 'লোকসেৱা বঁটা' প্ৰদান

### নগাঁৱত 'লোক কল্যাণ দিৱস' উদ্‌যাপন




**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭৫ সংখ্যক মৃত্যু তিথি উপলক্ষে লোক কল্যাণ দিৱসটি নগাঁও জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভা কক্ষত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয়। এই দিৱসতেই কৰ্মক্ষেত্ৰত বিভিন্ন দিশত পাৰদৰ্শিতা আগবঢ়োৱা ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীলৈ মুখ্যমন্ত্ৰীৰ 'কৰ্মশ্ৰী' আৰু 'লোকসেৱা' বঁটা আগবঢ়োৱা হয়। এই বঁটাৰ মূল উদ্দেশ্য হৈছে জনসেৱাৰ প্ৰতি উৎসাহ প্ৰদান, চৰকাৰী সেৱাৰ গুণগত মানৰ উন্নয়ন, দায়িত্বৱান, নিষ্ঠাবান আৰু উদ্যমী কৰ্মচাৰী চিনাক্তকৰণ আৰু আদৰ্শ স্থাপন কৰি আনক উৎসাহিত কৰা ইত্যাদি। সভাৰ আৰম্ভণিতে জিলা আয়ুক্তৰ লগতে উপস্থিত বিশিষ্ট ব্যক্তিসকলে লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। অসম সংগীতেৰে আৰম্ভ হোৱা এই অনুষ্ঠানটিত সভাৰ উদ্দেশ্য বাখ্যা কৰে অতিৰিক্ত জিলা আয়ুক্ত মনোৰমা মৰাঙে। সভাত ভাষণ প্ৰদান *১০ পৃষ্ঠাত*

## বিশিষ্ট সাহিত্যিক অমূল্য কুমাৰ ভাগৱতীৰ স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন

**লক্ষ্যজ্যোতি বৰা ঃ** নগাঁও জিলাৰ ফুলগুৰি আঞ্চলিক কবি সন্মিলনৰ অন্তৰ্গত সদ্যপ্ৰয়াত সাহিত্যিক অমূল্য কুমাৰ ভাগৱতীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈ 'ফুলগুৰি আঞ্চলিক কবি সন্মিলন আৰু ৰহদৈ কবি মঞ্চ'ৰ সদস্য আৰু বিষয়ববীয়াসকল যোৱা ৪ আগষ্ট তাৰিখ সোমবাৰে সদ্যপ্ৰয়াত ভাগৱতীৰ পূৱ শালমৰাস্থিত নিজা বাসগৃহত উপস্থিত হয়। ফুলগুৰি শাখা *১০ পৃষ্ঠাত*



# সন্মিলিত অ.বি.বি শিক্ষক সন্থাৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** সদৌ অসম সন্মিলিত অ. বি.বি ৭০৬৬ শিক্ষক সন্থাৰ সভাপতি কমল বৰা আৰু যুটীয়া সম্পাদক পবিত্ৰ বৰাই বাতৰি কাকতলৈ পঠোৱা এক প্ৰেছ বিজ্ঞপ্তি যোগে জনাইছে যে,সদৌ অসম সন্মিলিত অ.বি.বি ৭০৬৬ শিক্ষক সন্থাৰ ৰাজ্যিক বৰ্ধিত কাৰ্যনিৰ্বাহক সভা যোৱা ৩০ জুলাইত গুৱাহাটীত সদৌ অসম কৰ্মচাৰী পৰিষদৰ ভৱনত অনুষ্ঠিত হয়। উক্ত সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰধান সম্পাদক পংকজ বৰ্মন আৰু পৰিষদৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক বিপ্লৱ কুমাৰ দাস উপস্থিত থাকে। সভাত সন্মিলিত শিক্ষক সন্থাৰ ৰাজ্যিক সম্পাদক পবিত্ৰ বৰাই নতুন পেঞ্চন আঁচনিৰ অধীনত ২০০১ চনত বিভিন্ন বিদ্যালয়ত নিযুক্তিপ্ৰাপ্ত অ.বি.বি শিক্ষক শিক্ষয়িত্ৰীসকলক পুৰণি পেঞ্চন আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰিবৰ কাৰণে দাবী জনোৱাৰ লগতে বৰ্তমান চৰকাৰৰ বিত্ত বিভাগে জাৰি কৰা চিঠি নং -278326/2025/676 dt.28/3/2025 মৰ্মে ২০০৫ চনৰ আগত নিযুক্তি পোৱা শিক্ষক কৰ্মচাৰী সকলৰ তথ্য বিচাৰি বিভাগ সমূহলৈ যি নিৰ্দেশনা প্ৰেৰণ কৰিছে এই নিৰ্দেশনা ভিত্তিত বিভাগসমূহে যেনে ধৰণেৰ ক্ষিপ্ৰতাৰে কাম কৰিব লাগিছিল সেই ক্ষিপ্ৰতাৰে পৰ্যন্ত শিক্ষা বিভাগত কাম কৰা দেখা পোৱা নাই। যাৰ ফলত বিত্ত বিভাগে তিনিবাৰ কৈ নিৰ্দেশনা প্ৰেৰণ কৰিবলগীয়া হৈছে। শিক্ষা বিভাগৰ সঞ্চালকায়ৰ লগতে আয়ুক্ত কাৰ্যালয়ৰ এনে ধৰণৰ কাৰ্যৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী সকল পুৰণি পেঞ্চন নীতি আওতাত সোমাইনে নোসোমাই, ইয়াক লৈ শিক্ষক সমাজ বাৰুকৈয়ে চিন্তিত হ'ব লগা হৈছে। সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰধান সম্পাদকে সভাত কয় যে চলিত বৰ্ষৰ ১১ জানুৱাৰীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত পৰিষদৰ আলোচনাত তেখেতে ২০০৫ চনৰ আগত নিযুক্তি পোৱা সকলো শিক্ষক-কৰ্মচাৰীকে পুৰণি পেঞ্চন নীতিলৈ অনা হ'ব বুলি যি প্ৰতিশ্ৰুতি দিছিল তাক লৈ সদৌ অসম কৰ্মচাৰী পৰিষদৰ লগতে সদৌ অসম সন্মিলিত অ.বি.বি ৭০৬৬ শিক্ষক সন্থাইও আদৰণি জনাইছে। তেওঁ শেহতীয়াকৈ বিত্ত বিভাগে দিয়া নিৰ্দেশনাৰ ওপৰতো বিস্তৃত ব্যাখ্যা দাঙি ধৰাৰ লগতে সংশ্লিষ্ট বিভাগ সমূহে শিক্ষক-কৰ্মচাৰীসকলৰ কাম সমূহ ক্ষিপ্ৰতাৰে আগুৱাই নিবৰ কাৰণে পৰিষদৰ তৰফৰ পৰা আহ্বান জনায়।

# দুৰাৰোগ্য ৰোগত আক্ৰান্ত বৰ্হমপুৰৰ সাৰাংগ দাস

## চিকিৎসাৰ বাবে সহায়ৰ প্ৰয়োজন দৰিদ্ৰ পৰিয়ালটোৰ



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ বৰ্হমপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰ্হমপুৰ আদৰ্শ গাঁৱৰ এজন দৰিদ্ৰ পৰিয়ালৰ লোক জটিল কৰ্কট ৰোগত আক্ৰান্ত হৈ জীৱন মৰণৰ সমস্যাত ভুগি আছে। গাঁওখনৰ সাৰাংগ দাস নামৰ লোকজন ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী আছিল। এজন চালক হিচাবে কৰ্মত নিয়োজিত হৈ পৰিয়াল পোহপাল দিয়া সাৰংগ দাসৰ পৰিয়ালৰ এতিয়া পানীত হাঁহ নচৰা অৱস্থা হৈছে। পত্নী আৰু দুই পুত্ৰসহ পৰিয়ালটোৰ জীৱন-জীৱিকাৰ একমাত্ৰ আশা-ভৰষাৰ স্থল আছিল সাৰাংগ দাস। এইজন চালক জটিল কৰ্কট ৰোগত আক্ৰান্ত হোৱাৰ পিছৰে পৰা পৰিয়ালটোলৈ নামি আহে ঘোৰ অমানিশা। লোকজনৰ চিকিৎসা কৰি সৰ্বস্বান্ত হৈ পৰিছে পৰিয়ালটো। ঘৰৰ পশুধন, সা-সম্পত্তি আদি কৰি পৰিয়ালটোৱে ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী সাৰাংগক আৰোগ্য কৰাৰ আপ্ৰাণ চেষ্টা চলাইছে। সাৰাংগক চিকিৎসাৰ বাবে ঘৰৰ সাচতীয়া ধন ব্যয় কৰি সৰ্বস্বান্ত হোৱা পৰিয়ালটোৱে এতিয়া দিকবিদিক হেৰুৱাই পেলাইছে। লোকজনক সুস্থ কৰি তুলিবলৈ এতিয়া যথেষ্ট টকাৰ প্ৰয়োজন যদিও এই ধন যোগাৰ কৰাৰ সামৰ্থ্য নাই পৰিয়ালটোৰ। সেয়ে পৰিয়ালটোৱে সাধাৰণ ৰাইজৰ ওচৰত সহায়ৰ বাবে কাতৰ আহ্বান জনাইছে। ইতিমধ্যে তেওঁ সামাজিক মাধ্যমৰ জৰিয়তে ৰাইজৰ পৰা আৰ্থিক সাহায্য বিচাৰিছে। কোনো সদাশয় লোকে লোকজনক সহায় কৰিব বিচাৰিলে একাউণ্ট নম্বৰ 32201585700 IFSC: SBIN0000146 অথবা G-PAYNO.9365881281 ত যোগাযোগ কৰিব পাৰিব। পৰিয়ালটোৱে এই ক্ষেত্ৰত স্থানীয় জনপ্ৰতিনিধি আৰু মুখ্যমন্ত্ৰীৰ সহযোগিতা কামনা কৰিছে।

# নগাঁৱৰ ৰূপহীৰ ধাবাত সুৰাৰ ৰমৰমীয়া বেহাৰ অভিযোগ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ ৰূপহীহাট অঞ্চলৰ একাংশ ধাবাত সুৰাৰ এক ৰমৰমীয়া ব্যৱসায় চলি থকাৰ এক অভিযোগ উঠিছে। এই ধাবাসমূহে অবৈধভাৱে সুৰাৰ ব্যৱসায়ৰ লগতে কেতবোৰ অসামাজিক কাম-কাজ চলাই থকাৰ অভিযোগ আছে। নগাঁও চহৰৰ একাংশ সুৰা বিপনীৰ পৰা কাৰ্টুনে কাৰ্টুনে সুৰা নি এই ধাবাসমূহে নীতি বহিৰ্ভুতভাৱে ব্যৱসায় কৰি আহিছে। ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত ঔৰনা-ভকতগাঁও এলেকাৰ ছিগনেচাৰ ধাবা, নিউ বিউটিফুল ৰেষ্টুৰেণ্ট, এ টি আই টি এইচ আই ৰেষ্টুৰেণ্ট আদিত অবৈধভাৱে সুৰাৰ ব্যৱসায় চলাই থকাৰ অভিযোগ উঠিছে। মাজে সময়ে আৰক্ষীয়ে অভিযান চলাই যদিও পিছত এই ধাবাসমূহে আৰক্ষীৰ লগত গোপন বুজাবুজি কৰি পুনৰ এই ব্যৱসায় অব্যাহত ৰখাৰ অভিযোগ কৰিছে সচেতন মহলে। দৈনিক এই ধাবাসমূহত অবৈধভাৱে সুৰাৰ ব্যৱসায় চলাই থকাৰ লগতে অসামাজিক কাম-কাজো চলি থাকে। ফলত অঞ্চলটোৰ পৰিৱেশ বিনষ্ট হোৱাৰ অভিযোগ উঠিছে। সচেতন মহলে এইক্ষেত্ৰত আৰক্ষী প্ৰশাসনক যাৱতীয় ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে।

# নলবাৰীৰ প্ৰয়াত সাহিত্যচাৰ্য ড° বসন্ত কুমাৰ ভট্টাচাৰ্যৰ পৰিয়ালবৰ্গক লুইত সাহিত্য সংস্কৃতি পৰিষদৰ প্ৰতিনিধি দলৰ শোক প্ৰস্তাৱ প্ৰদান




**চন্দন শৰ্মা, তেজপুৰ ঃ** শুকুৰবাৰে লুইত সাহিত্য সংস্কৃতি পৰিষদৰ এটি প্ৰতিনিধি দলে প্ৰয়াত সাহিত্যচাৰ্য ড° বসন্ত কুমাৰ ভট্টাচাৰ্যৰ নলবাৰীৰ নিজ বাসগৃহলৈ গৈ পৰিয়ালবৰ্গক লগ ধৰাৰ লগতে এখন শোক প্ৰাৰ্থনাসভা আয়োজন কৰি শোক প্ৰস্তাৱ প্ৰদান কৰে। উক্ত শোক প্ৰাৰ্থনা সভাৰ অনুষ্ঠানখনত উপস্থিত থাকে প্ৰয়াত ভট্টাচাৰ্যৰ সুযোগ্য দুই পুত্ৰ, বোৱাৰী আৰু তেখেতৰ সহধৰ্মিনীৰ লগতে উপস্থিত ৰাইজ আৰু লুইত সাহিত্য সংস্কৃতি পৰিষদৰ প্ৰতিনিধি উপদেষ্টা ৰবীন ডেকা, কাৰ্যকৰী সভাপতি প্ৰদীপ শৰ্মা, উপ-সভাপতি অজিত ৰাজবংশী আৰু মুখ্য সম্পাদিকা মণিকা দাস। উক্ত শোক সভাতে সদ্য প্ৰয়াত ড° বসন্ত কুমাৰ ভট্টাচাৰ্যৰ আত্মাৰ সন্তুষ্টিৰ বাবে তেখেতে লিখা নাটক এখন ৰবীন্দ্ৰ ভৱনতে হওক বা অন্য মঞ্চতে হওক মঞ্চস্থ কৰাৰ কথা পৰিয়ালক অৱগত কৰে আৰু পৰিষদে কথাটো গুৰুত্ব সহকাৰে লয় বুলি আমাক জানিবলৈ দিয়ে।

# মাজুলীত বেটি বচাও বেটি পঢ়াও আঁচনিৰ অধীনত বাল্য বিবাহ মুক্ত মাজুলী শীৰ্ষক সজাগত সভা সম্পন্ন




**বিকাশ শইকীয়া, মাজুলী ঃ** মাজুলী জিলাক বাল্য বিবাহ মুক্ত কৰাৰ মানসেৰে বেটি বচাও বেটি পঢ়াও আঁচনিৰ অধীনত, মহিলা আৰু শিশু বিকাশ বিভাগ, মাজুলী জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ উদ্যোগত জিলা আইন সেৱা প্ৰাধিকৰণ মাজুলী, স্বাস্থ্য আৰু শিক্ষা বিভাগ, অসম গ্ৰামীণ জীৱিকা নিৰ্বাহ অভিযান, Independent Thought (UNICEF) আৰু NEADS সহযোগত বাল্য বিবাহ মুক্ত মাজুলী অভিযানৰ শুভাৰম্ভণি অনুষ্ঠান শুকুৰবাৰে উজনি মাজুলীৰ নামনি লাচন গাঁৱৰ ৰঙ্গমঞ্চত অনুস্থিত হয়। উক্ত সভাত জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব সন্দীপ কৌশিক, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰাজশ্ৰী ধাণ্ডিয়া, সহকাৰী আয়ুক্ত সীমান্ত বৰগোঁহাই, জিলা সমাজ কল্যাণ বিষয়া উত্তম অধিকাৰী, শিশু উন্নয়ন প্ৰকল্প বিষয়া জ্যোতিষ দত্ত, উপ আইনী প্ৰতিৰক্ষা অধিবক্তা বুদ্ধেশ্বৰ পামেগাম, স্বাস্থ্য আৰু শিক্ষা বিভাগৰ বিষয়ববীয়া, অসম গ্ৰামীণ জীৱিকা নিৰ্বাহ অভিযান কৰ্মচাৰী, জিলা শিশু সুৰক্ষা গোটৰ কৰ্মচাৰী, সংবাদকৰ্মী, টি.এম.পি.কে, এম.এম.কে কৰ্মকৰ্তা, নীডছৰ কৰ্মচাৰী, মুখ্য সেৱিকা, অংগনৱাদী কৰ্মী,আত্মসহায়ক গোটৰ সদস্য, স্থানীয় ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। এই সভাতে বাল্য বিবাহ মুক্ত মাজুলী অভিযানৰ লগত সংগতি ৰাখি এটি সজাগতামূলক গীত 'বাল্য বিবাহ মুক্ত মাজুলী' মুকলি কৰা হয়। থানুকৃষ্ণ দত্তৰ কথা আৰু সুৰেৰে প্ৰস্তুত কৰা গীতটিত কণ্ঠদান কৰিছে বৰ্ষাৰাণী দত্তই।

# জগদুৱাৰত ভাৰত-নাট্যম নৃত্যৰ কৰ্মশালাৰ সামৰণী অনুষ্ঠান



**জগদুৱাৰ ঃ** জগদুৱাৰৰ এখনি অগ্ৰণী সাংস্কৃতিক কেন্দ্ৰ জগদুৱাৰ 'সংগীত-নাট্য-কলা একাডেমী'ত সপ্তাহজোৰা গ্ৰীষ্মকালীন ভাৰত-নাট্যম নৃত্যৰ কৰ্মশালাৰ ইং ২৯-০৭-২৫ তাং মঙলবাৰে সামৰা হয়। বিদ্যালয়ৰ সভাপতি শ্ৰীযুত অজিত বৰাই পৰিচালনা কৰা সভাত মুখ্য আৰু বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে ক্ৰমে মৰিয়ণি সমষ্টিৰ বিধায়ক ৰূপজ্যাতি কুৰ্মী আৰু টীয়ক চন্দ্ৰকমল মহাবিদ্যালয়ৰ সমাজবিদ্যা বিভাগৰ অধ্যাপিকা শ্ৰীযুতা নিজৰা বৰুৱাই। সঞ্চালিকা ৰীতা বৰুৱাই উদ্দেশ্য ব্যাখ্যাৰ শিতানত কয় যে অসমৰ সত্ৰীয়া নৃত্যৰ লগতে ভাৰতৰ অন্য এক শাস্ত্ৰীয় নৃত্য ভৰত-নাট্যমৰ জৰিয়তে সৰ্ব ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ সমূহৰ লগত ছাত্ৰ-ছাত্ৰীসকলক চিনাকি কৰাই দিয়াই এই কৰ্মশালাৰ মূল উদ্দেশ্য। সভাৰ আৰম্ভণিতে নিমন্ত্ৰীত অতিথি বিধায়ক ৰূপজ্যোতি কুৰ্মী, অধ্যাপিকা নিজৰা বৰুৱা, নিত্যানন্দ বৰুৱা, প্ৰশিক্ষক মীনাক্ষী বৰুৱা আৰু শিক্ষক নৃপেন গগৈয়ে সুন্দৰ সাৱলীল বক্তব্যৰে বৃন্দৰ লগতে প্ৰশিক্ষক মীনাক্ষী বৰুৱাক সম্বৰ্ধনা জনোৱা হয়। ছাত্ৰ-ছাত্ৰীসকলে কৰ্মশালাত আয়ত্ব কৰা শিক্ষাৰ লগতে অন্যান্য সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। সঞ্চালিকা ৰীতা বৰুৱা আৰু সংগীত-শিক্ষক নৃপেন গগৈয়ে 'গীত আৰু কবিতাৰ যুগল বন্দী' শিৰোনামাৰে এটি অনুষ্ঠান পৰিৱেশন কৰে।

# বোকাখাতত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশন

**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা, গোলাঘাট জিলা সমিতিৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশন বোকাখাতৰ কেন্দ্ৰীয় বিহুতলীৰ বাকৰিত দিনজোৰা কাৰ্যসুচীৰে অনুষ্ঠিত হয়। বোকাখাত, গোলাঘাট, দেৰগাঁও, সৰুপথাৰ, বৰপথাৰ আৰু খুমটাই শাখা সহযোগত অনুষ্ঠিত হোৱা অসম চাহ জনজাতি ছাত্ৰ সন্থা, গোলাঘাট জিলা সমিতিৰ এই অষ্টম দ্বি-বাৰ্ষিক অধিৱেশনৰ পুৱাতে পতাকা উত্তোলন কৰে ছাত্ৰ সংগঠনটোৰ গোলাঘাট জিলা গোটৰ সভাপতি ৰাবুল তুৰীয়ে। স্মৃতি তৰ্পণ কৰে জিলা সম্পাদক সুশীল কালিন্দীয়ে। এই অনুষ্ঠানতে অসম চাহ জনজাতি মহিলা সমিতিৰ সদস্যসকলে পৰিৱেশন কৰে আটছাৰ বন্দনা গীত। পৰৱৰ্তী সময়ত অধিৱেশন থলীৰ পৰা এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰা উদ্বোধন কৰে বোকাখাত সম জিলাৰ  সহকাৰী আয়ুক্ত কুশল কলিতাই। বিয়লিলৈ 'সাহিত্য-বৌদ্ধিক চিন্তা আৰু সামাজিক মাধ্যমৰ ধণাত্মক ব্যৱহাৰিক গুৰুত্ব' শীৰ্ষক এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। মৰাণ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক আত্মাৰাম কুমাৰে সঞ্চালনা কৰা এই আলোচনা চক্ৰ উদ্বোধন কৰে অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ প্ৰধান সম্পাদক সঞ্জীৱ কৈৰীয়ে। আলোচনাচক্ৰত সন্মানীয় অতিথি হিচাবে অংশগ্ৰহণ কৰে আটছাৰ  কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক জগদীশ বৰাইক। আলোচক হিচাবে উপস্থিত থাকে জে.ডি.এছ.জি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত গগৈ, মৰিয়নী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেণ গোৱালা, লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈ, পংকজ কালিন্দী, ড° অশোক বাঢ়ৈ আৰু ধৰ্মেশ্বৰ বাঢ়ৈয়ে। আলোচনাচক্ৰত আটছা আৰু আটুৱাৰ প্ৰতিনিধিৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। আলোচনাচক্ৰৰ পিছতেই আটছাৰ গোলাঘাট জিলা সমিতিৰ সভাপতি ৰাবুল তুৰিৰ পৌৰহিত্যত মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত আদৰণি ভাষণ প্ৰদান কৰে উদ্‌যাপন সমিতিৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাই। উদ্বোধনী ভাষণ প্ৰদান কৰে আটছাৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক সুশীল কালিন্দীয়ে। মুকলি সভাতেই অধিৱেশনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা সেউজ প্ৰভাকৰ নামৰ স্মৃতিগ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে কলিয়াবৰৰ সাংসদ কামাখ্যা প্ৰসাদ তাচাই। মুকলি সভাত আটছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ধীৰাজ গোৱলা, কেন্দ্ৰীয় সম্পাদক জগদীশ বৰাইক, আটুৱাৰ প্ৰতিষ্ঠাপক তথা কৃতি শিক্ষয়ত্ৰী মামনী গাজলু, অধিবক্তা যোগেশ ভুঞা, বোকাখাতৰ পৌৰপতি ৰত্নেশ্বৰ বৰুৱা, অধিবক্তা জগত কলিতা, বিশিষ্ট চিকিৎসক ডাঃ পঙ্কজ খেৰিয়া, প্ৰাক্তন কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰঞ্জন কালিন্দী, স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈ, সম্পাদক পংকজ কালিন্দী, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ বোকাখাত গোটৰ উপদেষ্টা তথা অধিবক্তা কিশোৰ ছেত্ৰী, জাতীয় মহাসভাৰ সভাপতি শিৱচৰণ লোহাৰ আৰু আটছাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক অনিত গড়ৰ প্ৰমুখ্যে আমন্ত্ৰিত ব্যক্তি সকল উপস্থিত থাকে। আমন্ত্ৰিত অতিথি সকলক উদ্‌যাপন সমিতিৰ তৰফৰ পৰা ফুলৰ তোৰা পৰম্পৰাগত গামোছা আৰু একোটাকৈ স্মাৰকে আদৰণি জনোৱা হয়। ইফালেই বিভিন্ন শাখাৰ প্ৰতিনিধিৰ উপস্থিতিত বোকাখাত নাট্যমন্দিৰত বিষয় বাচনি সভাও অনুষ্ঠিত হয়। নিশালৈ পদ্মশ্ৰী দুলাল মানকিৰ গীতেৰে অনুষ্ঠিত সাংস্কৃতিক সন্ধ্যাৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণী পৰে। সাংস্কৃতিক সন্ধ্যা উদ্বোধন কৰে বিশিষ্ট কণ্ঠশিল্পী নুনুসিং কৰ্মকাৰে। উল্লেখ্য যে আটছাৰ গোলাঘাট জিলা সমিতিৰ এই অষ্টম দ্বি-বাৰ্ষিক অধিৱেশনৰ ২৬ আৰু ২৭ জুলাইত দুদিনীয়া কাৰ্যসুচীৰে অনুষ্ঠিত হোৱাৰ কথা আছিল। বোকাখাতৰ গড়মূৰত ইয়াৰ বাবে নিৰ্মাণ কৰা হৈছিল অস্থায়ী মঞ্চ আৰু সভাগৃহ। দুদিনৰ পূৰ্বে হোৱা প্ৰৱল ধুমুহাই মঞ্চ আৰু সভাতলী ভাঙি পেলোৱাত অধিৱেশনৰ স্থান পৰিৱৰ্তন কৰাৰ লগতে ২৬ জুলাইৰ কাৰ্যসূচী বাতিল কৰি বোকাখাতৰ কেন্দ্ৰীয় বিহুতলীত দিনজোৰা কাৰ্যসুচীৰে অধিৱেশন অনুষ্ঠিত হয়। অধিৱেশন স্থলীত স্থানীয় শিল্পী মুনিন্দ্ৰ বৰদলৈয়ে নিৰ্মাণ কৰি উলিওৱা কাজিৰঙাৰ বানপানীৰ ক্ষুদ্ৰ সংস্কৰণে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।

# নগাঁও exit ৰ উদ্যোগত নগাঁৱত প্ৰথম বৰ্ষা উৎসৱ

## নতুন প্ৰজন্মই পৰম্পৰাগত ৰীতি-নীতিৰ লগত পৰিচয় লাভ কৰিব ঃ ৰূপক শৰ্মা



**বিশেষ সংবাদদাতা, নগাঁও ঃ** কৃষি পৰ্যটনৰ জৰিয়তে অৰ্থনৈতিক বুনিয়াদ গঢ়ি তোলাৰ প্ৰয়াস কৰা নগাঁৱৰ মোৰ নাম exit নামৰ প্ৰতিষ্ঠানৰ উদ্যোগত নগাঁও জিলাত প্ৰথমবাৰৰ বাবে তিনিদিনীয়াকৈ বৰ্ষা উৎসৱ অনুষ্ঠিত হৈছে। এক উৎসৱ মুখৰ পৰিৱেশত নগাঁৱৰ বৰঘাট বাইপাছৰ কিছু নিলগৰ ওপৰ পাঠৰী গাঁৱৰ প্ৰাকৃতিক পৰিৱেশত অৱস্থিত exit  প্ৰতিষ্ঠানত এই বৰ্ষা উৎসৱ অনুষ্ঠিত হৈছে। পুৱা বন্তি প্ৰজ্বলনৰে উৎসৱৰ শুভাৰম্ভ কৰে নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। নিজৰ উদ্বোধনী ভাষণত বিধায়ক ৰূপক শৰ্মাই কয় যে বৰ্ষাকালৰ লগত অসমৰ মানুহৰ এক সুকীয়া  সম্পৰ্ক আছে। এই সময়ত গৰমে জনজীৱনত প্ৰভাৱ পেলায়।বৰষুণেও জনসাধাৰণক প্ৰভাৱান্বিত কৰে। এনে সময়ত exit এ বৰ্ষা উৎসৱ আয়োজন কৰি প্ৰকৃতিৰ বিষয়ে ৰাইজক সজাগ কৰাৰ প্ৰয়াস কৰাটো আদৰণীয় বুলি মন্তব্য কৰি বিধায়ক শৰ্মাই কয় যে এই উৎসৱত থলুৱা সামগ্ৰীৰ সমাহাৰ ঘটাৰ লগতে অসমৰ পৰম্পৰাগত ৰীতি-নীতিৰ বিষয়ে পৰিচয় লাভ কৰিবলৈ সুযোগ লাভ কৰিব। এই পদক্ষেপ লোৱাৰ বাবে উদ্যোক্তা সকলক ধন্যবাদ জনাই বিধায়ক গৰাকীয়ে কয় যে নগাঁওখনক পৰ্যটনৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰয়াস কৰি থকা হৈছে। নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈত পৰ্যটন কেন্দ্ৰ, চহৰখনত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা কলাক্ষেত্ৰ, বটদ্ৰৱা প্ৰকল্পৰ কাম চলি আছে। শীঘ্ৰে এই প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ব। পুৰণিগুদামৰ মহা মৃত্যুঞ্জয় মন্দিৰলৈ বহু লোকৰ আগমণ ঘটে। এই ক্ষেত্ৰ সমূহে নগাঁৱক এখন আকৰ্ষণীয় পৰ্যটন কেন্দ্ৰলৈ ৰূপান্তৰিত কৰিব বুলি বিধায়ক গৰাকীয়ে মন্তব্য কৰে। শিল্পী চন্দনা বেজবৰুৱাই আঁতধৰা অনুষ্ঠানত সমাজকৰ্মী জয়ন্তকুমাৰ বৰা, নীৰা শৰ্মা, ৰীণা দেৱী, সাংবাদিক কনক হাজৰিকা, প্ৰদীপ কুমাৰ নাথ, প্ৰকৃতিপ্ৰেমী মহেশ নাথৰ লগতে নৰেন দাস, টিকেন্দ্ৰজিৎ শইকীয়া, প্ৰাঞ্জল বৰুৱা আদিয়ে অংশগ্ৰহণ কৰে। আদৰণি ভাষণত প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী উৎপল নাথে বৰ্ষা উৎসৱ চমু আভাষ দাঙি ধৰে। দুপৰীয়া স্নেহবন্ধন মহিলা সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত অধ্যাপিকা তথা বৰ্ষা উৎসৱৰ অন্যতম আহ্বায়ক বৰ্ণালী হাজৰিকা, কংকন গোস্বামী, দীপাংকৰ বাৰিক আদিয়ে বিশেষ সহযোগিতা আগবঢ়ায়। চিত্ৰশিল্পী টিকেন্দ্ৰজিৎ শইকীয়াৰ পৰিচালনাত চিত্ৰ অংকনৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত চিত্ৰ শিল্পী পল্লৱী শৰ্মাই সহযোগিতা আগবঢ়ায়। শিশু চিত্ৰ শিল্পী ভাস্বতী শইকীয়াই অংকন কৰা বিধায়ক শৰ্মাৰ এখন চিত্ৰ বিধায়ক গৰাকীক প্ৰদান কৰে। ৰশ্মি পাটৰৰ বৰগীত পৰিৱেশনৰে অনুষ্ঠান আৰম্ভ কৰা হয়। গীত-মাত, নৃত্যৰ অনুষ্ঠানৰ লগতে অসমৰ সমাজ জীৱনত প্ৰচলিত হৈ থকা ভেকুলী বিয়াৰ এক  পৰম্পৰা আৰম্ভ কৰা হয় আৰু মূল বিয়া বৰ্ষা উৎসৱৰ শেহৰ দিনা অনুষ্ঠিত হ'ব। উৎসৱস্থলীত থলুৱা সামগ্ৰীৰ বিপণী মুকলি কৰা হয়। সন্ধিয়া অনুষ্ঠিত হয় সাংস্কৃতিক অনুষ্ঠান। সন্ধিয়া বৰ্ষা উৎসৱৰ শীৰ্ষ গীত মুকলি কৰা হয়। গীতটো ৰচনা কৰিছে নাজৰা চুলতানাই। সুৰ দিছে বৰ্ণালী হাজৰিকাই। প্ৰাঞ্জল বৰুৱাৰ পৰিচালনাত গীতত কণ্ঠদান কৰিছে নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু বৰ্ণালী হাজৰিকাই।

# তেজপুৰ মহাবিদ্যালয়ৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱস সম্পন্ন

## অনুষ্ঠানত এখনি গ্ৰন্থ আৰু দুখনকৈ মহাবিদ্যালয়খনৰেই তিনিমহীয়া বাৰ্তা পুষ্টিকাৰ উন্মোচন




**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰৰ ঐতিহ্যমণ্ডিত তেজপুৰ মহাবিদ্যালয়ৰ ৬০ তম প্ৰতিষ্ঠা দিৱসভাগ মঙলবাৰে বৰ্ণিল কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ হাজৰিকাই পতাকা উত্তোলনৰে আৰম্ভ হোৱা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তেজপুৰ বিধান সভা সমষ্টিৰ বিধায়ক পৃথিৰাজ ৰাভা, তেজপুৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° স্বাধীনতা মহন্ত, কলিয়াবৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° শিৱৰঞ্জন মহন্ত, তেজপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° চাৰু চহৰীয়া নাথ প্ৰমুখ্যে মহাবিদ্যালয়ৰ প্ৰাক্তন তথা বৰ্তমানৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল। আদৰণি ভাষণত অধ্যক্ষ ড° হাজৰিকাই তেখেতৰ আঠমহীয়া কাৰ্যকালত মহাবিদ্যালয়খনিৰ বিভিন্ন অগ্ৰগতিৰ খতিয়ান দাঙি ধৰাৰ লগতে আগন্তুক সময়ত মহাবিদ্যালয়ৰ উত্তোৰণৰ ক্ষেত্ৰত সমূহ শিক্ষক-কৰ্মচাৰীৰ সহযোগিতা কামনা কৰে। বিধায়ক পৃথিৰাজ ৰাভাই তেওঁৰ বক্তব্যত তেজপুৰ মহাবিদ্যালয়ৰ গৌৰৱময় জয়যাত্ৰাৰ কথা দোহাৰে। প্ৰতিষ্ঠা দিৱসৰ শুভ দিনটোতে মহাবিদ্যালয়ৰ তিনিমহীয়া বাৰ্তা পুস্তিকা 'ডা হেৰিটেজ' আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ ড° কিশলয় চৌধুৰী আৰু ড° ভানুপ্ৰিয়া দৈমাৰীয়ে সম্পাদনা কৰা গ্ৰন্থ 'Gender. Issues, Perspective and Empowerment' ৰ শুভ উন্মোচন কৰা হয়। এই অনুষ্ঠানতে মহাবিদ্যালয়ৰ বিভিন্ন শিতানৰ শৈক্ষিক বঁটা সমূহো প্ৰদান কৰা হয়। মহাবিদ্যালয়ৰ প্ৰয়াত গ্ৰন্থাগাৰিক অমূল্য হাজৰিকাৰ স্মৃতিত 'শ্ৰেষ্ঠ পঢুৱৈ' বঁটা প্ৰদান কৰে অমূল্য হাজৰিকাৰ ভগ্নী তথা বৰ্তমানৰ অধ্যক্ষৰ মাতৃ ৰাণু হাজৰিকাই। একেদৰে মহাবিদ্যালয়ৰ কলা বিভাগৰ 'শ্ৰেষ্ঠ স্নাতক' বঁটা আগবঢ়োৱা হয় মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যক্ষ যোগেন্দ্ৰ নাথ চৌধুৰীৰ স্মৃতিত তেখেতৰ সহধৰ্মিনী তথা  ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰ প্ৰাপ্ত মুৰব্বী জেউতিকণ চৌধুৰীয়ে। অসমীয়া বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক ভৈৰৱ শইকীয়াৰ স্মৃতিত তেখেতৰ সুকন্যা দীপিকা শইকীয়া বৰাই অসমীয়া বিভাগৰ সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থী গৰাকীলৈ এই বঁটা আগবঢ়ায়। প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানতে মহাবিদ্যালয়ে নতুনকৈ আৰম্ভ কৰা 'দক্ষতা বিকাশ' (Skill development) পাঠ্যক্ৰমৰ অন্তৰ্গত "দুৰ্যোগ ব্যৱস্থাপনা" বিষয়ৰ পাঠ্যক্ৰম সম্পন্ন কৰা শিক্ষাৰ্থীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। প্ৰাক্তন অধ্যাপক অধ্যাপিকা আৰু শিক্ষাৰ্থীসকলৰ স্মৃতি বিজড়িত বক্তব্যত অনুষ্ঠানটি অধিক আকৰ্ষণীয় হৈ উঠে। সামৰণিত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপক ড° দেৱজিত দত্তই।

# অসম সাহিত্য সভাৰ গুৱাহাটীস্থ কাৰ্যালয়ত অনিতা দেৱীৰ অন্য যাত্ৰা উন্মোচন




**লক্ষ্যজ্যোতি বৰা ঃ** অসম সাহিত্য সভাৰ গুৱাহাটীস্থ কাৰ্যালয়ৰ ৰাধা গোৱিন্দ বৰুৱা সভাকক্ষত যোৱা ৩ আগষ্ট তাৰিখ দেওবাৰে দিনৰ ১১ বজাত উন্মোচন হয় শিশু সাহিত্য, কবিতা, মননশীল প্ৰবন্ধৰে বহুকেইখন গ্ৰন্থৰ প্ৰণেতা অনিতা দেৱীৰ গল্প সংকলন অন্য যাত্ৰা। গ্ৰন্থখনিৰ প্ৰকাশক তথা অসমৰ সম্ভ্ৰান্ত প্ৰকাশন প্ৰতিষ্ঠান চন্দ্ৰ প্ৰকাশৰ স্বত্বাধিকাৰী ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মাই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা সভাখনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উত্তৰ-পূৱ অধ্যয়ন বিভাগৰ মুৰব্বী অধ্যাপক ড° গজেন্দ্ৰ অধিকাৰীয়ে গল্প সংকলনটি উন্মোচন কৰে। বিশিষ্ট সাহিত্যিক বন্দিতা ফুকন, সাহিত্যিক তথা সংগীত-শিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰী, নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকী, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° পল্লৱী দত্তই বিশিষ্ট অতিথি ৰূপে ভাষণ প্ৰদান কৰা আৰু মহেশ নাথ, নাৰায়ণ নাথ, ইন্দ্ৰমোহন দাস, লখিমী মহন্ত, মিনা বৰা, ৰাজীৱ ৰাভা, জয়ন্তী বৰা, কুঞ্জলতা শইকীয়া, ভূপেন কাকতি, ৰেখাৰাণী দেৱী প্ৰমুখ্যে প্ৰায় দুকুৰি ব্যক্তি উপস্থিত থকা গ্ৰন্থ উন্মোচনী সভাখনৰ আঁত ধৰে বিশিষ্ট কবি মদাৰজ্যোতিয়ে।

# বৰ নাৰায়নপুৰৰ বৰবৈষ্ণৱ ভাটৌকুছিত কেশৱচৰণ আতাৰ থান, বক্তা ড° দয়ানন্দ পাঠক



**বিতোপন গগৈ, ধলপুৰ ঃ** বৰনাৰায়ণপুৰৰ বৈষ্ণৱ আন্দোলনৰ গুৰি ধৰোঁতা সকল আছিল শংকৰদেৱৰ প্ৰিয়তম শিষ্য মাধৱদেৱ, শ্ৰীশ্ৰীবদলা পদ্ম আতা, শ্ৰীশ্ৰী হৰিদেৱ, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ, শ্ৰীশ্ৰী কেশৱচৰণ আতা, শ্ৰীশ্ৰী হৰিচৰণ আতা, শ্ৰীশ্ৰী যদুমণিদেৱ, (সৰু যদুমণি, বৰ যদুমণি) শ্ৰীশ্ৰী ৰাম আতা, শ্ৰীশ্ৰী পুৰুযোত্তম, শ্ৰীশ্ৰী নাৰায়ণ আতা, শ্ৰীশ্ৰী লক্ষীকান্ত আতা, কলাবাৰীৰ চিৰকুমাৰ বংশীগোপালদেৱৰ আতা আদি ।ইতিমধ্যেই সাতগৰাকী বৈষ্ণৱৰ জীৱনভিত্তিক আলোচনা শংকৰদেৱ কলাক্ষেত্ৰ সমাজ আৰু মাধৱদেৱ কলাক্ষেত্ৰৰ তত্ত্বাৱধানত সম্পন্ন হৈ গৈছে। যোৱা ১৭ শাওন, ইং ৩ আগষ্ট দেওবাৰে ধলপুৰৰ ভাটৌকুছি থান ৰংগমঞ্চত শ্ৰীশ্ৰী কেশৱচৰণ আতাৰ বিষয় প্ৰসংগত অষ্টম সাহিত্য বক্তৃতা প্ৰদান কৰে সমালোচক, অনুবাদক তথা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দয়ানন্দ পাঠকে। মানসপ্ৰতিম মহন্তই আঁতধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সভাপতিত্ব কৰে নাৰায়ণপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক চন্দ্ৰ হাজৰিকাই আৰু আদৰণি ভাষণ প্ৰদান কৰে সত্ৰাধিকাৰ তথা থানৰ সভাপতি মুনীন্দ্ৰ নাৰায়ণ দেৱগোস্বামীয়ে। সচিব সুদৰ্শন ঠাকুৰদেৱৰ কৃতাৰ্থমূলক ভাষণৰ পিছত ড° পাঠকে চৰিত পুথিসমূহৰ গ্ৰহণযোগ্য তথ্যৰ অভাৱ পৰিলক্ষিত হয় বুলি মতপোষণ কৰে। স্থানীয় মহিলাসকলে দিহানাম পৰিৱেশন কৰা অনুষ্ঠানত উপস্থিত থাকে প্ৰাক্তন বিধায়ক দেৱানন্দ হাজৰিকা,সমাজকৰ্মী ৰাজীৱ বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক বিষ্ণু গোস্বামী, মিত্ৰদেৱ মহন্ত, অৰুণ গোস্বামী, ভূপেন দলে, যোগেন্দ্ৰনাথ শইকীয়া, বিনোদ কৃষ্ণ শৰ্মা আদি। উক্ত সভাত থানৰ সাচিঁপতীয়া পুথিৰ উপযুক্ত সংৰক্ষণ ব্যৱস্থাৰ বিষয়ে দৃষ্টিগোচৰ কৰা হয়। এটা সুন্দৰ অনুষ্ঠানৰ আয়োজনত সহযোগিতা আগবঢ়োৱা থান পৰিচালনা সমিতি তথা অভ্যৰ্থনা সমিতিৰ মদন বড়া (শিক্ষক), ভোগেশ্বৰ দত্ত (অৱসৰপ্ৰাপ্ত শিক্ষক), ক্ষীৰেশ্বৰ বৰা, তিলক দত্ত, কৰ্ণেশ্বৰ বৰা (নামঘৰীয়া), পংকজ শইকীয়া, বিষয় শিক্ষক অমিয়া বৰা, অধিবক্তা দেৱজিত শইকীয়া, শিক্ষক তৰুণ দত্ত আদিৰ লগতে সকলোকে শলাগ জ্ঞাপন কৰে।

# কাজিৰঙাৰ সঞ্চালক ড° সোনালী ঘোষ আৰু ডি এফ অ' অৰুণ বিঘ্নেশলৈ অসম চৰকাৰৰ কৰ্মশ্ৰী বঁটা



**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বানপানীৰ সময়ত পথত থকা বন্যপ্ৰাণী সমূহক দুৰ্ঘটনাৰ পৰা ৰক্ষা কৰাৰ বাবে লোক কল্যাণ দিৱসত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ সঞ্চালক, বন বিভাগৰ অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক ড° সোণালী ঘোষ আৰু ৰাষ্ট্ৰীয় উদ্যানখনৰ উপ-সঞ্চালক তথা পূব অসম বন্য প্ৰাণী সংমণ্ডলৰ বিষয়া, ভাৰতীয় বন সেৱাৰ অৰুণ বিঘ্নেশক অসম চৰকাৰে কৰ্মশ্ৰী বঁটা প্ৰদান কৰিছে। উল্লেখ্য যে এই একে শিতানতে গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্ত, আৰক্ষী অধীক্ষক ৰাজেন সিং আৰু জিলা পৰিবহণ বিষয়া মন্টু কুমাৰ দাসকো কৰ্মশ্ৰী বঁটা প্ৰদান কৰিছে। কাজিৰঙাৰ ক্ষেত্ৰ সঞ্চালক ড° সোণালী ঘোষে ভাৰতীয় বন সেৱাৰ ২০০০-০৩ বৰ্ষত শীৰ্ষস্থান লাভ কৰি ভাৰতীয় বন সেৱাৰ বিষয়া হিচাবে নিৰ্বাচিত হৈছিল। ড° সোনালী ঘোষ বন আৰু বন্যপ্ৰাণী বিজ্ঞানত স্নাতকোত্তৰ হোৱাৰ উপৰিও ভাৰতীয় ৰাষ্ট্ৰীয় আইন বিদ্যালয়ৰ পৰা পৰিৱেশ আইনত স্নাতকোত্তৰ ডিপ্লোমা আৰু একেখন বিদ্যালয়ৰ পৰাই পুনৰ প্ৰণালী ব্যৱস্থাপনাৰো ডিপ্লোমা লাভ কৰিছিল। তেওঁ ইণ্ডো-ভূটান মানাহ লেণ্ডস্কেপত বাঘৰ বাবে বাসস্থানৰ উপযুক্ততা সম্পৰ্কে ৰিম'ট-চেঞ্চিং প্ৰযুক্তিত ডক্টৰেট ডিগ্ৰীও লাভ কৰিছিল। একেদৰে ভাৰতীয় বন সেৱাৰ বিষয়া অৰুণ বিঘ্নেশ ইলেক্ট্ৰনিকচ আৰু কমিউনিকেচনৰ অভিযন্তা, পক্ষী নিৰীক্ষক আৰু এজন বিশিষ্ট ফটোগ্ৰাফাৰো। দুয়ো গৰাকী বিষয়ালৈ অসম চৰকাৰে কৰ্মশ্ৰী বঁটা প্ৰদান কৰাৰ বাবে কাজিৰঙাৰ বিষয়া কৰ্মচাৰী আৰু বনকৰ্মী সকলে দুয়ো গৰাকী বিষয়ালৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

# হোজাইত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ জিলা সমিতি গঠন

## ১২১ গৰাকী আবৃত্তিকাৰৰ দ্বাৰা 'মৃত্যু জিনাৰ গান' কবিতাৰ সমূহীয়া আবৃত্তি

**মুকুল গোস্বামী, লংকা ঃ** হোজাই সাহিত্য সভাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ হোজাই জিলা সমিতিখন গঠন কৰাৰ উদ্দেশ্যে যোৱা ৩ আগষ্টত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় তিনি শতাধিক প্ৰতিনিধিৰ উপস্থিতিত সেইদিনা দিনৰ ১১-৩০ মিনিটৰ পৰা আৰম্ভ হোৱা সাধাৰণ সভাখন হোজাইৰ বিশিষ্ট সাহিত্য-সাংস্কৃতিক তথা নাট্যকৰ্মী অনুপ কুমাৰ বৰঠাকুৰে পৌৰহিত্য কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ৰাজ্যিক কাৰ্যকৰী সভাপতি ড° হিতেশ গোস্বামী, বিশিষ্ট অতিথিৰূপে ৰাজ্যিক কোষাধ্যক্ষ তথা ৰাজ্যিক সাংগঠনিক সম্পাদক গুণীন ফুকন, ৰাজ্যিক সহকাৰী সাধাৰণ সম্পাদক পংকজ কুমাৰ শৰ্মা, পৰিষদৰ মধ্য মণ্ডলৰ সাংগঠনিক সম্পাদক দুৰ্লভ পৱন বৰুৱা, পৰিষদৰ নগাঁও জিলাৰ সভাপতি লক্ষীপ্ৰভা শইকীয়াৰ লগতে হোজাই জিলা সাহিত্য সভাৰ সভাপতি পদ্ম কান্ত বৰা, সম্পাদক অচ্যুত ঠাকুৰীয়া, হোজাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ শ্বামছুল হক, লামডিং সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কামাখ্যা প্ৰসাদ হাজৰিকা, কাকীৰ বিশিষ্ট সাংস্কৃতিক কৰ্মী মুকুতা বৰা, শিক্ষাবিদ, সাহিত্যিক ড° হাছিনুচ চুলতান, কবি কমলেশ্বৰ কলিতা, সমাজকৰ্মী ৰঞ্জন কুমাৰ বৰা, নেৱাজ আহমেদকে আদি কৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত আছিল। সভাৰ আৰম্ভণিতে সভাপতি অনুপ কুমাৰ বৰঠাকুৰে ভাষা শুদ্ধকৈ আৰু শুৱলাকৈ কোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই ক্ষেত্ৰত আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ দৰে অনুষ্ঠানৰ প্ৰয়োজনৰ কথা দোহাৰে। মুখ্য অতিথি ড° হিতেশ গোস্বামীয়ে তেখেতৰ ভাষণত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্দেশ্য আৰু কাৰ্যপন্থা সম্পৰ্কে বিশদভাৱে উল্লেখ কৰি কয় যে, বিগত তিনিবছৰ ধৰি অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদে অসমৰ গ্ৰামাঞ্চল আৰু চহৰৰ প্ৰতিজন শিশুৰ মুখত আবৃত্তিৰ অমৃত সুধা যোগান ধৰাৰ লগতে অসমীয়া আবৃত্তি প্ৰশিক্ষণৰ সৈতে জড়িত ব্যক্তিসকলক 'আবৃত্তি প্ৰশিক্ষক' ৰূপে চিনাক্ত কৰি তেওঁলোকৰ জৰিয়তে অসমীয়া আবৃত্তিৰ পেছাদাৰী প্ৰচাৰ, প্ৰসাৰৰ হকে নিৰলস গতিত কাম কৰি আহিছে। অহা ৭ ছেপ্টেম্বৰ, ২০২৫ ৰ পৰা ৬ ছেপ্টেম্বৰ, ২০২৬ লৈ বৰ্ষজোৰা কাৰ্যসূচীৰে অসমীয়াৰ হিয়াৰ আমঠু ভাৰতৰত্ন ড° ভূপেন হাজৰিকাদেৱৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ কাৰ্যসূচী গ্ৰহণৰ সৈতে সংগতি ৰাখি অন্তিমটো অনুষ্ঠান হিচাপে ২০২৬ চনৰ ৬ ছেপ্টেম্বৰত অসমৰ বিভিন্ন প্ৰান্তৰ পঞ্চাছ হাজাৰ আবৃত্তিকাৰৰ সহযোগত কাব্য সিন্ধু ড° অমৰজ্যোতি চৌধুৰী ৰচিত 'মৃত্যু জিনাৰ গান, এটা গান শেষ হ'ল' কবিতাৰ সমূহীয়া আবৃত্তি কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলিও তেখেতে ঘোষণা কৰে। ভাষণ প্ৰসংগত ড° গোস্বামীয়ে অসমৰ জাতীয় মহাসভা অসম সাহিত্য সভাই অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদক সভাৰ ভাতৃ সংগঠনৰূপে স্বীকৃতি দিয়া কাৰ্যক আদৰণি জনাই এয়া শ্ৰীৰাম চন্দ্ৰ আৰু হনুমানৰ মণিকাঞ্চন সংযোগ হোৱা বুলি উল্লেখ কৰে। সভাত মধ্য মণ্ডলৰ সাংগঠনিক সম্পাদক দুৰ্লভ পৱন বৰুৱাই পৰিষদৰ সাংবিধানিক নীতিৰ সম্পৰ্কত আলোচনা কৰি অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ মহান কৰ্ম-যাত্ৰাত আনুষ্ঠানিকভাৱে হোজাই জিলাক সংযোগ কৰা হ'ব বুলি কয়। সভাতে অনুপ কুমাৰ বৰঠাকুৰক সভাপতি, যথাক্ৰমে, ড° হাছিনুচ চুলতান, মুকুতা বৰা, কমলেশ্বৰ কলিতা, কামাখ্যা প্ৰসাদ হাজৰিকাক উপ-সভাপতি, বিন্দিয়া কৌৰক সম্পাদিকা, বিমল কুমাৰ নাথক কোষাধ্যক্ষ, ভাস্কৰ বড়ো, প্ৰীতিৰেখা দাস, পদ্মিণী ডাওলাগুফু আৰু ৰাণী হাজৰিকাক সহকাৰী সম্পাদক, অচ্যুত ঠাকুৰীয়াক আবৃত্তি বিশেষজ্ঞ, গীতালী বৰা কেওঁতক ভাষা-ব্যাকৰণ বিশেষজ্ঞ, অজন্তা তামুলী ফুকন, আৰাধনা শৰ্মাক সাংগঠনিক সম্পাদক, শ্ৰীমন্ত মাধৱ শৰ্মাক জিলা মুখপাত্ৰ, জ্যোতি প্ৰসাদ গগৈক পত্ৰিকা সম্পাদক তথা নিভা দেৱী, উৎপল বৰুৱা, অজিতা বৰা আৰু দীপিকা বৰাক কাৰ্যকৰী সদস্যৰূপেলৈ একৈছজনীয়া জিলা সমিতি এখন গঠন কৰি দিয়ে। সভাই ডাঃ শ্বামছুল হকক উপদেষ্টা তথা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক পদত মনোনীত কৰে। সভাত পংকজ কুমাৰ শৰ্মা আৰু লক্ষ্মীপ্ৰভা শইকীয়ায়ো মূল্যৱান পৰামৰ্শ আগবঢ়ায়। সভাখনত এক ব্যতিক্ৰমী আৰু অভিনৱ কাৰ্যসূচীৰূপে জিলাখনৰ হোজাই, লংকা, লামডিং, কাকী, গোঁসাইগাওঁ, গোহাগাঁও আদি অঞ্চলৰ পৰা অহা এশ একৈশগৰাকী আবৃত্তিকাৰে সমস্বৰে ড° অমৰজ্যোতি চৌধুৰীৰ 'মৃত্যু জিনাৰ গান' কবতাটো আবৃত্তি কৰি উপস্থিত ৰাইজক অভিভূত কৰে।

# ১৮নং পাখিমৰীয়া ব্লকৰ উদ্যোগত দেওধৰ মণ্ডলৰ বিশেষ সাংগঠনিক সভা

## দেওধৰ মণ্ডলৰ নতুন সমিতি গঠন, বিজেপি দলৰ কৰ্মীৰ কংগ্ৰেছত যোগদান



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ ১৮নং পাখিমৰীয়া ব্লকৰ উদ্যোগত নগাঁও জিলা কংগ্ৰেছৰ সম্পাদক তথা ৰহাৰ জনপ্ৰিয় যুৱ নেতা উৎপল বণিয়াৰ নেতৃত্বত দেওধৰ মণ্ডলৰ এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্বত কৰে বালিৰাম শইকীয়াই। সভাত উপস্থিত থাকে জিলা কংগ্ৰেছৰ সভাপতি ৰণুমণি বৰা, ৰহা যুৱ কংগ্ৰেছৰ সভাপতি ইন্দ্ৰ দাস, ৰহা ব্লকৰ সাধাৰণ সম্পাদক সোণমণি শইকীয়া, নগাঁও জিলা মহিলা সভানেত্ৰী ৰূপালী শইকীয়া, উপ-সভানেত্ৰী আৰতি দাস, সম্পাদিকা জোনালী বৰা, মাধৱপাৰা জিলা পৰিষদৰ সদস্য আব্দুল জব্বৰ, পাখিমৰীয়া ব্লক কংগ্ৰেছৰ সভাপতি হেমন্ত দাস, পাখিমৰীয়া ব্লক কংগ্ৰেছৰ উপ-সভাপতি ডম্বৰু শইকীয়া, চম্পক বৰা, তুলাৰাম শইকীয়া (জ্যেষ্ঠ), দিলীপ বৰা, মুকুল সিং (জেষ্ঠ) উপস্থিত থাকে। তাতে বিজেপি দলৰ দেওধৰ পঞ্চায়তৰ জেষ্ঠ কৰ্মী তথা সমাজকৰ্মী বিৰেশ্বৰ বৰা আৰু পুনাৰাম কলিতায়ে আনুষ্ঠানিকভাৱে ভাৰতীয় জাতীয় কংগ্ৰেছ দলত যোগদান কৰে উক্ত সভাতে বাবুল বৰাক সভাপতি হিচাপে লৈ দেওধৰ মণ্ডলৰ ৫১ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰা হয়।

# নগাঁৱত একশ্যন মুডত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা

## একেদিনাই ১৪২ গৰাকী ভূমিলেখ্য সহায়ক আৰু পৰ্যবেক্ষকক বদলি

**জয়ন্ত মুদৈ, নগাঁওঃ** নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই জিলাখনত দায়িত্বভাৰ গ্ৰহণৰ পিছতেই ক্ষিপ্ৰতাৰে বিভিন্ন জনকল্যাণমূলক কাম-কাজ ৰূপায়ণৰ দ্বাৰা সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাৰ সময়তে পুনৰ এক বৃহৎ নিৰ্দেশনা জাৰি কৰি সকলোকে স্তম্ভিত কৰি তুলিছে। আচলতে, জিলা আয়ুক্তজনে এক নিৰ্দেশনা যোগে জিলাখনৰ সাতটা ৰাজহ চক্ৰৰ মুঠ ১৪২ গৰাকী ভূমিলেখ্য সহায়ক (মণ্ডল) আৰু ভূমিলেখ্য পৰ্যবেক্ষক (কানানগু)ক বদলি কৰিছে। জানিব পৰা মতে, জনস্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি আৰু ক্ষীপ্ৰতাৰে ৰাইজৰ কাম কৰাৰ বাবে শনিবাৰে জিলা আয়ুক্তৰ নিৰ্দেশ নং এন চি--01/2025/15 মৰ্মে জিলাখনৰ ভুমিলেখ্য সহায়ক আৰু ভূমিলেখ্য পৰ্যবেক্ষক সকলক বদলি তৎকালীনভাৱে বলবৎ হোৱাকৈ বদলি কৰা হৈছে। যাৰ ফলশ্ৰুতিত বদলিকৰণৰ নিৰ্দেশ লাভ কৰা এইসকল কৰ্মচাৰীৰ মাজত এতিয়া হাহাকাৰৰ সৃষ্টি হৈছে। উল্লেখ্য, এই সকল কৰ্মচাৰীৰ অধিকাংশই সংশ্লিষ্ট ৰাজহ চক্ৰৰ কাৰ্যালয়ত ২০ ৰ পৰা ২৫ বছৰ ধৰি কাৰ্যনিৰ্বাহ কৰি সাধাৰণ ৰাইজক বিভিন্ন অজুহাতত হাৰাশাস্তি কৰি আহিছিল। ভূমি সংক্ৰান্তীয় বিভিন্ন কাম-কাজ কৰি দিয়াৰ বিনিময়ত উৎকোচ গ্ৰহণ কৰা এই সকল কৰ্মচাৰীৰ অধিকাংশই বিশাল সা-সম্পত্তি গঢ়িছে। প্ৰাপ্ত তথ্য মতে, জিলাখনৰ বিভিন্ন ৰাজহ চক্ৰৰ পৰা বদলিকৰণ হোৱাসকলৰ ভিতৰত নগাঁও সদৰ ৰাজহ চক্ৰৰ ৩৪ গৰাকী, ৰহা ৰাজহ চক্ৰৰ ২১ গৰাকী, কলিয়াবৰ ৰাজহ চক্ৰৰ ২৩ গৰাকী, চামগুৰি ৰাজহ চক্ৰৰ ২২ গৰাকী, কামপুৰ ৰাজহ চক্ৰৰ ১৮ গৰাকী, ৰূপহী ৰাজহ চক্ৰৰ ১১ গৰাকী আৰু ধিং ৰাজহ চক্ৰৰ ১৩ গৰাকী ভূমিলেখ্য সহায়ক আৰু পৰ্যবেক্ষক আছে। ইফালে, এই সন্দৰ্ভত নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সংবাদ মাধ্যমৰ আগত কয় যে--আজি প্ৰায় ডেৰমাহ ধৰি নগাঁও জিলাত ভূমি সম্পৰ্কীয় কাম-কাজত আমাৰ ওচৰত অভিযোগ আছিল যে মাটিবাৰী কামৰ বাবে অহা সাধাৰণ লোক, বৃদ্ধ লোক ৰাজহ চক্ৰৰ কাৰ্যালয়লৈ আহিলে দালাল চক্ৰৰ কবলত পৰে। কিবা কাৰণত তেওঁলোকৰ কাম হৈ নুঠে। সেয়ে আয়ুক্ত গৰাকীয়ে ভূমিৰ কাম-কাজৰ বিষয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত যোৱা সোমবাৰৰ পৰা প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা নিশা ৮ বজালৈ শুনানিৰ ব্যৱস্থা কৰিছে। ভূমি সংক্ৰান্তীয় কাম-কাজৰ শুনানিলৈ অহা লোকসকলৰ বাবে এমাহৰ বাবে নতুন ধৰণৰ আদালতৰ ব্যৱস্থা কৰা হৈছে। কোনো লোকে এই ক্ষেত্ৰত কিবা কাৰণত যদিহে হাৰাশাস্তি বা অসুবিধাৰ সন্মুখীন হৈছে, সেই বিষয়ে আয়ুক্ত গৰাকীয়ে শুনানি লোৱাৰ লগতে বিধিগতভাৱে কৰি দিব পৰা কামটো পেলাই থোৱা বিষয়সমুহো আয়ুক্ত গৰাকীয়ে পৰ্যবেক্ষণ কৰিব। পৰৱৰ্তী সময়ত সেইবোৰ ক্ষিপ্ৰতাৰে নিস্পত্তি কৰিব বুলি আয়ুক্ত গৰাকীয়ে জানিবলৈ দিয়ে। সাংবাদিকে সোধা আন এক প্ৰশ্নৰ উত্তৰত আয়ুক্ত গৰাকীয়ে কয় যে-একে ঠাইত দীৰ্ঘদিন ধৰি কাম কৰা লোকক চৰকাৰী নীতি অনুসৰি বদলিকৰণ কৰা যায়। ইয়াত ৰাজনৈতিক প্ৰভাৱৰ কথা নাহে। বিধায়কসকলে এই কাম কৰাত ভাল পাইছে। তেওঁ লগতে কয় যে-একাংশ এই কৰ্মচাৰী ১৫ ৰ পৰা ২৮ বছৰ পৰ্যন্ত একে ঠাইতে কাম কৰি আছে। ইয়াৰে একাংশৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আছে।

# বিশ্বনাথ অসামৰিক চিকিৎসালয়ত নাগচম্পা পুলি ৰোপণ সৰ্পবান্ধৱ সৌৰভ বৰকটকীৰ



**চন্দন শৰ্মা, তেজপুৰ ঃ** মাত্ৰ দুটা বছৰৰ ভিতৰত সৰ্পদংশনত আক্ৰান্ত পাঁচ শতাধিক লোকৰ চিকিৎসা কৰি এক নজিৰ স্থাপন কৰা বিশ্বনাথ অসামৰিক চিকিৎসালয়ত দেওবাৰে সৰ্পবান্ধৱ সৌৰভ বৰকটকী আৰু সৰ্পবান্ধৱ সৌৰভ বৰকটকী দলৰ বিষয়ববীয়াসকল উপস্থিত হৈ এটা দুষ্প্ৰাপ্য নাগচম্পা পুলি ৰোপণ কৰে। উল্লেখযোগ্য যে, সৰ্পদংশনৰ চিকিৎসা প্ৰদানৰ ক্ষেত্ৰত এই পৰিসংখ্যা ৰাজ্যৰ ভিতৰতে দ্বিতীয়। দেওবাৰে বিশ্বনাথ অসামৰিক চিকিৎসালয়ৰ অধীক্ষকৰ কক্ষত প্ৰথমতে সৌৰভ বৰকটকীক উষ্ম সম্বৰ্ধনা জনোৱাৰ লগতে সৰ্পবান্ধৱ টীমৰ তৰফৰ পৰা সভাপতি টুটুমণি কলিতা, সম্পাদক মহচিনুৰ ৰহমানে বিশ্বনাথৰ স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্য সঞ্চালক যোগেন চন্দ্ৰ বে', চিকিৎসক এলিজা ডেকা, সৌৰভ গোস্বামীৰ লগতে সৰ্পদংশনৰ চিকিৎসাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰা ৰিপন চুতীয়া সহ ধাত্ৰী জ্যোতি সহ সহযোগীসকলক সম্ভাষণ জনায়। ইয়াৰ পিছতে চিকিৎসালয়খনৰ প্ৰৱেশদ্বাৰৰ সমীপত সৌৰভ বৰকটকীয়ে যুটীয়া স্বাস্থ্য সঞ্চালক বে' তথা চিকিৎসক চুতীয়াৰ সৈতে এজোপা ঔষধী নাগগচম্পা পুলি ৰোপণ কৰে।

# নগাঁৱৰ সৰ্বত্ৰে মহাজলাভিষেক ব'লব'ম উপলক্ষে উছাহৰ ঢল

## মহাদেৱৰ আশীষ কামনাৰে মন্দিৰে মন্দিৰে ভক্তৰ ভিৰ



**জয়ন্ত মুদৈ, নগাঁওঃ** হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ অন্যতম ধৰ্মীয় উৎসৱ মহাজলাভিষেকক কেন্দ্ৰ কৰি ৰাজ্যৰ আন আন ঠাইৰ দৰে নগাঁও জিলাৰ বিভিন্ন প্ৰান্ততো ব্যাপক উৎসাহ-উদ্দীপনাৰ সৃষ্টি হৈছে। স্মৰ্তব্য যে, মহাদেৱ শিৱৰ জন্ম মাহ বুলি হিন্দু ধৰ্মৰ লোকসকলে বিশ্বাস কৰি অহা অসমীয়া বছৰৰ শাওণ মাহৰ প্ৰতিটো দেওঁবাৰ আৰু সোমবাৰে অনুষ্ঠিত হয় এইব'লব'ম উৎসৱটি। সমগ্ৰ শাওণ মাহজুৰি চলা এই উৎসৱৰ পৰম্পৰা অনুসৰি শিৱভক্তসকলে দেওবাৰে নিশা কোনো নিৰ্দিষ্ট পাহাৰীয়া এলেকাত থকা শিৱ মন্দিৰৰ কাষেৰে পাহাৰৰ পৰা নামি অহা জলধাৰাৰ পৰা পানী সংগ্ৰহ পৰি সেই পানী লগত লৈ গোটেই নিশা পদব্ৰজে আহি অন্য কোনো মন্দিৰত পিছদিনা সোমবাৰে দোকমোকালিতে উপস্থিত হয় আৰু পিছত পৰম ভক্তিভাৱেৰে সেই পানী শিৱলিংগত ঢালি দেৱাদিদেৱ মহাদেৱৰ আৰ্শীবাদ মাগে। তদানুযায়ী পূৰ্বৰে পৰা চলি অহা ব'ল ব'মৰ পৰম্পৰা অনুসৰি পানী আনিবলৈ যোৱা হাজাৰ হাজাৰ ভক্তৰ সমাগমেৰে প্ৰতিটো দেওবাৰে নিশা জিলাখনৰ ৰেংবেং, চাপানলা, আমচৈ, আকাশীগংগা আদি অঞ্চলৰ পাহাৰৰ দাঁতিতে থকা শিৱ মন্দিৰসমূহৰ প্ৰাংগণত জনসমুদ্ৰৰ সৃষ্টি হোৱাৰ বিপৰীতে এক উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰা পৰিলক্ষিত হয়। অৱশ্যে এচাম উদণ্ড যুৱকে সম্পূৰ্ণ মুকলিকৈ ভাং আৰু সুৰা সেৱন কৰি কৰা চৰম উদ্ভণ্ডালিয়ে ভক্তসকলক অস্বস্তিত পেলোৱা সত্বেও আৰক্ষীয়ে চকু মুদা কুলিৰ ভাও জুৰাৰ গুৰুত্বৰ অভিযোগ উঠিছে। ইফালে, নিশা পদব্ৰজে পানী লৈ আহি থকা ভক্তসকলক পদপথৰ ঠায়ে ঠায়ে বিভিন্ন স্বেচ্ছাসেৱী আৰু সামাজিক সংগঠন তথা ব্যক্তি বিশেষে নিজা প্ৰচেষ্টাৰে আহাৰ-পানী যোগান ধৰি এক অনন্য পৰিৱেশৰ সূচনা কৰে। আনহাতে, প্ৰতি সোমবাৰে পুৱাৰ ভাগত আগদিনাৰ নিশাৰ দৰেই জিলাখনৰ সকলো সৰু-বৰ মন্দিৰত নিজৰ মনোবাঞ্ছা পূৰণাৰ্থে মহাদেৱক পূজা-অৰ্চনা কৰিবলৈ আৰু শিৱলিংগত পানী ঢালিবলৈ অহা কন কন শিশু-মহিলা-আৱাল-বৃদ্ধ-বণিতাৰ উপস্থিতিৰে বিৰ দি বাট নোপোৱা পৰিস্থিতিৰ উদ্ভৱ হয়। কোৱাটো সমীচিন যে, পবিত্ৰ শাওণ মাহৰ সোমবাৰৰ দিনটোত পুৱাতে মন্দিৰত পৰম ভক্তি ভাৱেৰে চাকি-বন্তি, এভাগ নৈবদ্য আগবঢ়ালে আৰু শিৱলিংগত পানী ঢালিলে ভক্তৰ মনোকামনা পূৰণ হয় বুলি থকা লোকবিশ্বাসৰ বাবেই এনেদৰে মন্দিৰে মন্দিৰে শিৱক আৰাধনা কৰিবলৈ ভক্তৰ হেতা-ওপৰা লাগে।

# বটদ্ৰৱাত ৫, ৬ আৰু ৭ ছেপ্তেম্বৰত কুটুম্ব সুৰক্ষা পৰিষদৰ 'সূত্ৰধাৰ-২০২৫' শীৰ্ষক ৰাষ্ট্ৰীয় শৈক্ষিক আৰু সাংস্কৃতিক সন্মিলনৰ প্ৰস্তুতি



**জয়ন্ত মুদৈ, নগাঁওঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ চিন্তা-দৰ্শন আৰু অসম তথা অসমীয়াৰ জাতীয় জীৱনৰ স্বকীয় বৈশিষ্ট্যপূৰ্ণ অনন্য সমলসমূহ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ আৰু প্ৰসাৰৰ সংকল্পৰে কুটুম্ব সুৰক্ষা পৰিষদৰ উদ্যোগত ২০২২ চনৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ত এলানি কাৰ্যসূচী অনুষ্ঠিত হৈ আহিছে। 'সূত্ৰধাৰ' শীৰ্ষক এই কাৰ্যসূচী ২০২২ চনত উত্তৰ প্ৰদেশৰ শ্ৰী ধাম বৃন্দাবনত, ২০২৩ চনত মধ্য প্ৰদেশৰ উজ্জয়িনীত আৰু বিগত বৰ্ষত প্ৰভূ ৰামচন্দ্ৰৰ জন্মভূমি অযোধ্যাত অনুষ্ঠিত হৈছিল। এই বৰ্ষত কুটুম্ব সুৰক্ষা পৰিষদৰ 'সূত্ৰধাৰ-২০২৫' শীৰ্ষক ৰাষ্ট্ৰীয় শৈক্ষিক আৰু সাংস্কৃতিক সন্মিলন আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা প্ৰদান অনুষ্ঠানটি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত অনুষ্ঠিত হ'ব। দেশৰ ৩০ খন বিশ্ববিদ্যালয়ৰ অংশগ্ৰহণেৰে শতাধিক অধ্যাপক-অধ্যাপিকা, গৱেষক, শিক্ষাৰ্থীৰ লগতে শিল্পী আৰু সাধু-সন্ত-মহন্তৰ উপস্থিতিত অনুষ্ঠিত হ'ব এই বিশাল কাৰ্যক্ৰমনিকা। সেয়ে অহা ৫, ৬ আৰু ৭ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া এই সমাৰোহৰ প্ৰস্তুতি সন্দৰ্ভত দেওঁবাৰে এখনি সভা অনুষ্ঠিত হয়। বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ পুথিভঁৰালত অনুষ্ঠিত হোৱা এই প্ৰস্তুতি সভাখনিত সভাপতিত্ব কৰে শলগুৰি সত্ৰৰ ডেকা সত্ৰীয়া অতুল মহন্তই। অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী তুৰাৰাম বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত উদ্দেশ্য ব্যাখ্যা কৰি কুটুম্ব সুৰক্ষা পৰিষদৰ সভাপতি সত্য ৰঞ্জন বৰাই আগন্তুক কুটুম্ব সুৰক্ষা পৰিষদৰ 'সূত্ৰধাৰ-২০২৫' শীৰ্ষক এই কাৰ্যসূচীত সকলো অসমবাসী ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি কামনা কৰে। উক্ত সভাতে কুটুম্ব সুৰক্ষা পৰিষদৰ সাধাৰণ সম্পাদক অমিয়া নেওগ কলিতা, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক ইন্দ্ৰমোহন বৰুৱা, বটদ্ৰৱা দৌল মন্দিৰৰ নামলগোৱা যোগেন কলিতা, সমাজকৰ্মী দিলীপ দেৱ গোস্বামী, মঞ্জুল কলিতা, বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা হিৰামনি বৰুৱা, পংকজ বৰুৱা, সবিতা বৰা, ৰাজেন শইকীয়া, গিৰিশ বৰুৱা, গণেশ বৰা, তুলুমণি বৰুৱাকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে মত বিনিময় কৰি আগন্তুক অনুষ্ঠানটিৰ ৰূপৰেখা প্ৰস্তুত কৰে। সভাত অনুষ্ঠিত হ'বলগীয়া উক্ত অনুষ্ঠানটিৰ বাবে সত্যৰঞ্জন বৰাক সভাপতি, ৰঞ্জিত মহন্ত, লিলি সন্দিকৈক কাৰ্যকৰী সভাপতি জগন্নাথ জ্যোতি বৰাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতিও গঠন কৰা হয়।

# সদৌ অসম ভিত্তিত অনলাইন চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন

**শিৱসাগৰ ঃ** এজন ব্যক্তিৰ স্ব-সৃষ্টিশীলতাক বিকশিত কৰাৰ এক মাধ্যম হৈছে চিত্ৰকলা। বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সৃষ্টিশীলতাৰ বিকাশৰ বাবে তথা ভাৰতৰ স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধা জনাই কলঞ্চুপৰীয়া কুইজ সমাজে অনুষ্ঠিত কৰিবলৈ লৈছে এখনি চিত্ৰাংকন প্ৰতিযোগিতা। প্ৰাক প্ৰাথমিকৰ পৰা পঞ্চম শ্ৰেণীলৈকে তথা ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে দুটা শাখাত অনুষ্ঠিত কৰিবলৈ লোৱা প্ৰতিযোগিতাখনিত যোগদান মাচুল ৫০ টকা। নিৰ্ধাৰিত বিষয়ত প্ৰতিযোগীসকলে ছবিসমূহ ঘৰতে অংকন কৰি ১৫ আগষ্টৰ ভিতৰত ৮৬৩৮৪ ৮০৭৯০, ৮৪৭৪৮৯৪৫৩৬ নম্বৰত প্ৰেৰণ কৰিব লাগিব। অধিক তথ্যৰ বাবে ৮৭২১৮০৭২১২, ৮৬৩৮৪ ৮০৭৯০, ৯৯৫৭৬৬৫৯৫, ৮৬৩৮৬১৩৮৩৯ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে।




Janasanyog RO no 1464/25/8-August-25

# ৰেংমা সংৰক্ষিত বনাঞ্চল উচ্ছেদ অভিযানৰ প্ৰথম পৰ্যায় সফলতাৰে সমাপ্ত



**গোলাঘাট ঃ** গোলাঘাট জিলাৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত চলি থকা বৃহৎ পৰিসৰৰ উচ্ছেদ অভিযানৰ প্ৰথম পৰ্যায় সফলতাৰে সম্পন্ন হয়। বিদ্যাপুৰ আৰু ২ নম্বৰ মধুপুৰত পৰিচালিত অন্তিম দিনটোৰ অভিযান সম্পূৰ্ণ ৰূপে শান্তিপূৰ্ণভাৱে আৰু প্ৰতিৰোধ নোহোৱাকৈ সম্পাদিত হয়। এই পাঁচদিনীয়া অভিযানৰ অন্তৰ্গত বিদ্যাপুৰ, পিঠাঘাট, সোণাৰিবিল, দোয়ালপুৰ, দোলনীপথাৰ, খেৰবাৰী, আনন্দপুৰ, মধুপুৰ আদিসহ বহু সংখ্যক অবৈধ অধিকৃত অঞ্চলৰ হাজাৰ হাজাৰ বিঘা সংৰক্ষিত বনভূমি পুনৰুদ্ধাৰ কৰা হয় আৰু শতাধিক অবৈধ কাঠামো ভাঙি পেলোৱা হয়। বিশেষ মুখ্য সচিব এম. কে. যাদৱে সংবাদ মাধ্যমক জনায় যে, এই অভিযানৰ জৰিয়তে এতিয়ালৈকে প্ৰায় ৮৯০০ বিঘা বনভূমি উদ্ধাৰ কৰা হৈছে আৰু ৪ হাজাৰৰো অধিক অবৈধ আন্তঃগাঁথনি (structure) অপসাৰণ কৰা হৈছে। তেওঁ লগতে উল্লেখ কৰে যে, বাকী থকা বেদখল অঞ্চলসমূহৰ মূল্যায়ন আৰু পৰৱৰ্তী পৰ্যায়ৰ কাৰ্যসূচী প্ৰস্তুত কৰাৰ বাবে একাধিক অঞ্চলত ইতিমধ্যে বিশদ ভূমি জৰীপ কাৰ্য চলি আছে। তেখেতে স্পষ্টভাৱে জনাই দিয়ে যে, দোয়াং সংৰক্ষিত বনাঞ্চলৰ মেৰাপানীৰ নেঘেৰিবিল অঞ্চলত অবস্থিত ২০৫টা পৰিয়ালক উচ্ছেদৰ বাবে জাননী জাৰি কৰা হৈছে আৰু অহা ৮ আগষ্টৰ পৰা এই উচ্ছেদ কাৰ্য আৰম্ভ হ'ব। সৰুপথাৰ বিধায়ক বিশ্বজিৎ ফুকনে ঘোষণা কৰে যে, ৩ আগষ্টত দক্ষিণ নামবৰ সংৰক্ষিত বনাঞ্চলৰ কিছু অংশত পুনৰ উচ্ছেদ অভিযান চলিব; বিশেষকৈ ৩ নম্বৰ গেলাজান আৰু ৰাজাপুখুৰী অঞ্চলসমূহক লক্ষ্য কৰি। তেওঁ মাননীয় মুখ্যমন্ত্ৰী, বিশেষ মুখ্য সচিব, গোলাঘাট জিলা প্ৰশাসন আৰু নাগালেণ্ড চৰকাৰৰ সমন্বিত সহায়ৰ বাবে গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে উল্লেখ কৰে যে, ৰেংমা সংৰক্ষিত বনাঞ্চলখনে ভৱিষ্যতে ইকো-টুৰিজমৰ এক অন্যতম গন্তব্যস্থান হিচাপে পৰিগণিত হ'ব আৰু এই অভিযান অবৈধ কাৰ্যকলাপ ৰোধৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। গোলাঘাট জিলা আয়ুক্ত পুলক মহন্তই কয় যে, সংশ্লিষ্ট সকলো বিভাগৰ সমন্বিত প্ৰচেষ্টাৰ ফলত এই প্ৰথম পৰ্যায়ৰ অভিযান শান্তিপূৰ্ণ আৰু সাফল্যমণ্ডিত হৈ উঠিছে। তেওঁ লগতে কয় যে, ভূমি পৰ্যায়ৰ পৰ্যবেক্ষণ আৰু সুচিন্তিত ক্ষেত্ৰ পৰ্যায়ৰ পৰিকল্পনাই এই সফলতা নিশ্চিত কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিছে। জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰাজেন সিঙে সমগ্ৰ অভিযান চলাকালত আইন-শৃংখলা বজাই ৰাখিবলৈ চি.আৰ.পি.অফ আৰু অসম আৰক্ষীসহ সকলো আইন প্ৰয়োগকাৰী সংস্থাক প্ৰশংসা জনায়। তেওঁ সদৰী কৰে যে, অভিযানৰ পূৰ্বে এই অঞ্চলসমূহত অস্ত্ৰ-শস্ত্ৰ, গোলাবাৰুদ আৰু নিষিদ্ধ সামগ্ৰী উদ্ধাৰ কৰা হৈছিল, লগতে কিছুমান সন্দেহজনক ব্যক্তিক গ্ৰেপ্তাৰো কৰা হৈছে, যিয়ে উচ্ছেদ অভিযানৰ প্ৰয়োজনীয়তা আৰু সফলতা অধিক শক্তিশালী কৰি তোলে। বিশেষ মুখ্য সচিব এম. কে. যাদৱ, আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং, প্ৰধান মুখ্য বন সংৰক্ষক , জিলা আয়ুক্ত পুলক মহন্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক ৰাজেন সিংকে ধৰি আৰক্ষী, বন বিভাগ আৰু জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলৰ নেতৃত্বত সমগ্ৰ অভিযান সুচাৰুৰূপে সম্পন্ন হয়। পুনৰ উদ্ধাৰ কৰা বনভূমিসমূহক এতিয়া বনানীকৰণ আৰু প্ৰাকৃতিক বাসস্থান পুনৰুদ্ধাৰ কাৰ্যসূচীৰ অধীনত আনা হ'ব। লগতে, ভৱিষ্যতে যিকোনো ধৰণৰ অবৈধ অধিক্ৰমন ঘটিলে, বন সংৰক্ষণ আইন অনুসৰি কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি চৰকাৰৰ পৰা স্পষ্টভাৱে জনোৱা হৈছে।

# শাওণৰ পথাৰ শুৱনি কৰিছে ৰোৱনীৰ ভূঁই ৰোৱা দৃশ্যই

## এতিয়া খেতিৰ বতৰত নগাঁৱৰ কৃষকৰ মাজত চৰম ব্যস্ততা



**জয়ন্ত মুদৈ, নগাঁও ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ অধিকাংশ গ্ৰামাঞ্চলত এতিয়া দৃশ্যমান হৈছে খেতিৰ বতৰৰ এক মনোৰম প্ৰতিচ্ছবি। আচলতে, কৃষিজীৱী গঞা ৰাইজৰ বাবে শাওণ মাহৰ এই সময়ছোৱা অতি ব্যস্ততাৰে ভৰা। সেয়ে এতিয়া চৰম ব্যস্ততাই আগুৰি ধৰিছে কৃষিজীৱী প্ৰতিটো পৰিয়ালক। যেন যৌৱনহে নামিছে খেতি পথাৰৰ বুকুলৈ। গাৰ ছাল দেই পুৰি নিয়া প্ৰখৰ ৰ'দ, গাৰ পৰা ওলোৱা টোপাটোপে ঘাম আৰু সময়ে সময়ে অহা বৰষুণৰ আচোৰৰ টোপাল গাত লৈও সকলো ব্যস্ত হৈ পৰিছে পথাৰত বোকা দি মাটি ডৰা খেতিৰ উপযোগী কৰি তোলা, আলী কটা বা কঠিয়া তোলা আদি কামত। ইয়াৰ বিপৰীতে ৰোৱনীসকল ব্যস্ত বোকাময় মাটি ডৰাত ভূঁই ৰোৱাত। ফলত সৰ্বত্ৰে বিয়পি পৰা পথাৰৰ বোকা পানীৰ চিনাকী গোন্ধই কৃষকৰ বাবে আনিছে আশাৰ বতৰা। উল্লেখ্য, বৰ্তমানৰ অত্যাধুনিক যুগতো বৰষুণৰ ওপৰতে ঘাইকৈ ভৰষা কৰি খেতিত নমা পশ্চিম নগাঁৱৰ কৃষকসকলৰ বাবে সম্প্ৰতি প্ৰকৃতিয়ে দিছে পৰ্যাপ্ত বৰষুণ। অৱশ্যে কিছুদিনৰ আগলৈকে বৰষুণৰ অভাৱত পথাৰবোৰত চিৰাল ফাট দিয়াত কৃষকসকল চৰম দুশ্চিন্তাত আছিল যদিও বিগত এসপ্তাহ মানৰ পৰা প্ৰতিদিনে বৰষুণ অহাত এতিয়া জিলাখনৰ পশ্চিম প্ৰান্তৰ অধিকাংশ কৃষিভূমি পানীৰে উপচি পৰি ভূঁই ৰোৱাৰ বাবে উপযোগী হৈ পৰিছে। সেয়েহে এতিয়া ৰ'বলৈ যেন আহৰি নোহোৱা হৈছে কৃষকসকলৰ। কাহিলি পুৱাৰ পৰাই সূৰ্যাস্তৰ পৰলৈ খেতিপথাৰতেই তেওঁলোকে কটাইছে অধিক সময়। যাৰ পৰিণতিত জিলাখনৰ চকলাঘাট, জাজৰি, হাতীচোং, বেবেজীয়া, কাছমাৰী, কুৰুৱাবাহী, বৰভেটি, শেনচোৱা, বিৰহ বেবেজীয়া, নমাটি, ৰাইদঙীয়া, ভোমোৰাগুৰি, কৰচুং, নসত্ৰ, ভোগবাৰী, কাকমাৰী, ভালুকমাৰী আদি গ্ৰামাঞ্চলৰ পথাৰত দেখিবলৈ পোৱা গৈছে ৰোৱনীৰ ভূঁই ৰোৱাৰ নান্দনিক দৃশ্যাৱলী।

# তথ্য আৰু জনসংযোগৰ উদ্যোগত দেশভক্তি কুইজ প্ৰতিযোগিতাৰ সফল আয়োজন

## তিনিশতাধিক দলৰ অংশগ্ৰহণ

**গুৱাহাটী ঃ** ৰাজ্যত পঞ্চমবাৰৰ বাবে আয়োজন কৰা দেশভক্তি দিৱসৰ লগত সংগতি ৰাখি তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত এখন বৃহৎ কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। ৰাজ্যৰ লগতে দেশৰ অন্যান্য ৰাজ্যৰ প্ৰতিযোগীয়েও অংশগ্ৰহণ কৰা এই কুইজ প্ৰতিযোগিতাখন গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখনিত ৬৫০টা দলে পঞ্জীয়ন কৰাৰ বিপৰীতে মুঠ ৩৪৮ টা দলে অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত কেৰেলা, দিল্লী আদিকে ধৰি ৰাজ্যৰ বাহিৰৰ লোকেও অংশগ্ৰহণ কৰে। কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে বিশিষ্ট কুইজ পৰিচালক অচিন্ত শৰ্মাই। প্ৰতিযোগিতাখন প্ৰাথমিক আৰু চূড়ান্ত-দুটা পৰ্যায়ত অনুষ্ঠিত কৰা হয়। প্ৰাথমিক পৰ্যায়ত ৩২টা প্ৰশ্নৰে লিখিত পৰীক্ষা অনুষ্ঠিত কৰা হয়। এই পৰ্যায়ত বাচনিকৃত তিনিজনীয়া ৬টা দলেৰে চূড়ান্ত পৰ্যায়ৰ প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। এই ৬টা দল আছিল ক্ৰমে এক্ৰুছ দ্য কলেজ গেট, অ আ ক খ, ছাৰে জাহা ছে আচ্ছা, গডৰ পাৰ্টী, দ্য থ্ৰী বডী প্ৰব্লেম আৰু ডাব। প্ৰতিযোগিতাত দ্য থ্ৰী বডী প্ৰব্লেম দল চূড়ান্ত বিজয়ী হয়। আনহাতে ছাৰে জাহা ছে আচ্ছা আৰু গডৰ পাৰ্টীয়ে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। বিজয়ীসকলক অনুষ্ঠিত হ'বলগীয়া দেশভক্তি দিৱসৰ মূল সভাত পুৰস্কাৰ প্ৰদান কৰা হ'ব। প্ৰথম পুৰস্কাৰ ১ লাখ টকা, দ্বিতীয় ৭৫ হাজাৰ আৰু তৃতীয় পুৰস্কাৰ হিচাবে ৫০ হাজাৰ টকা প্ৰদান কৰা হ'ব। ইয়াৰোপৰি আন তিনিটা দলকো নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। কুইজ প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰা দলসমূহৰ তিনি প্ৰজন্মৰ সদস্যই একেলগে অংশগ্ৰহণ কৰাটো আছিল উল্লেখযোগ্য আৰু অনুপ্ৰেৰণামূলক দিশ। প্ৰতিযোগিতাৰ আৰম্ভণিতে তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ আয়ুক্ত সচিব কুমাৰ পদ্মপাণি বৰাই মহান মনিষীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি কুইজ প্ৰতিযোগিতাখনৰ পূৰ্ণ সফলতা কামনাৰে সকলোকে আদৰণি জনায়। প্ৰতিযোগিতাখনত উপস্থিত হৈ বিভাগীয় মন্ত্ৰী পীযুষ হাজৰীকাই সকলোকে উৎসাহিত কৰাৰ লগতে এই ভব্য আয়োজনৰ বাবে তথ্য আৰু জনসংযোগৰ বিষয়া-কৰ্মচাৰীসকলৰ আন্তৰিক শলাগ লয়। কুইজত ভাগ লোৱা সকলো প্ৰতিযোগীকে তেওঁ ধন্যবাদ জ্ঞাপন কৰে। কুইজত প্ৰজন্মৰ পৰা প্ৰজন্মলৈ অংশ লোৱাটো অতি অনুপ্ৰেৰণাদায়ক বুলি উল্লেখ কৰে। কুইজৰ দুয়োটা পৰ্যায়ৰ মাজত তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ সাংস্কৃতিক শাখা আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। উল্লেখযোগ্য যে ২০২১ বৰ্ষৰ পৰা দেশভক্ত তৰুণৰাম ফুকনৰ সোঁৱৰণত দেশভক্তি দিৱস উদ্‌যাপন কৰি অহা হৈছে। তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত ৰাজ্যিক আৰু জিলা পৰ্যায়ত সমগ্ৰ ৰাজ্যতে এই দিৱস পালন কৰা হয়। দিনৰ ১১ বজাত অসম সচিবালয়ৰ লোকসেৱা ভৱনৰ সভাগৃহত ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ আগেয়ে পুৱা ৯ বজাত ভৰলুমুখস্থিত তৰুণৰাম ফুকন উদ্যানত থকা দেশভক্তগৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব।

# শিঙিয়া পোতনীত অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভা



**ষ্টাফ ৰিপৰ্টাৰ,নগাঁও; আগষ্ট:** নগাঁও জিলাৰ শিঙিয়া পোতনী অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ নাগৰিক মঞ্চৰ এখন সাধাৰণ সভা যোৱা ৩ আগষ্টত শিঙিয়া পোতনী উচ্চমাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয় ।মঞ্চৰ সভাপতি পুষ্পেন্দ্ৰ নাথ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত মঞ্চৰ উপদেষ্টা ৰত্নকান্ত বৰা, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক খগেন বৰা, মঞ্চৰ উপদেষ্টা নবীন শইকীয়াই ভাষণত এই মঞ্চই সামাজিক কৰ্মৰাজিৰ জৰিয়তে অঞ্চলটোত আগুৱাই নিয়াৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰা উচিত বুলি মন্তব্য কৰাৰ লগতে মঞ্চটোক চৰকাৰী পঞ্জীয়নভুক্ত কৰিবৰ বাবে পৰামৰ্শ আগবঢ়ায়। মঞ্চৰ সম্পাদক ফুলধৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত আমন্ত্ৰিত অতিথি হিচাপে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই উপস্থিত থাকি শিঙিয়া পোটনি অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ নাগৰিক মঞ্চৰ কাৰ্যালয়ৰ আধৰুৱা হৈ থকা কামখিনি সম্পূৰ্ণ কৰি দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ উপৰিও শিঙিয়া পোটনি হাইস্কুলৰ সন্মুখত এখন শিশু উদ্যান নিৰ্মাণ কৰি দিয়া হব বুলি সভাত ঘোষণা কৰে ।সভাত মঞ্চৰ ব্যৱস্থাপনাত অহা ১৫ আগষ্টত স্বাধীনতা দিৱস উদযাপন আৰু ২৬ আগষ্টত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত শিবিৰত বিভিন্ন ৰোগৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত কৰা হ'ব বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে, ২০২৫ চনৰ ২০ এপ্ৰিলত শিঙিয়া পোতনী অঞ্চলৰ ১৯খন গাঁৱৰ ২২৫ জন অৱসৰপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীক লৈ গঠন হোৱা এই মঞ্চৰ প্ৰধান উদ্দেশ্য হৈছে অঞ্চলটোৰ সামগ্ৰিক উন্নয়ন সাধন কৰা।

# উৰিয়াগাঁৱত অ:জা:যু:ছা:প:-ৰ উৰিয়াগাঁও আঞ্চলিক সমিতিৰ উদ্যোগত গ্ৰীষ্মকালীন বিনামূলীয়া প্ৰশিক্ষণ শিবিৰৰ সামৰণি



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ (অ:জা:যু:ছা:প:)ৰ উৰিয়াগাঁও আঞ্চলিক সমিতিৰ উদ্যোগত শৈক্ষিক প্ৰতিষ্ঠান Mahendra's ৰ সহযোগত উৰিয়াগাঁৱস্থিত শ্বহীদ ভোগেশ্বৰী ফুকননী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা ৪ জুলাইৰ পৰা ২৪ জুলাইলৈকে এক গ্ৰীষ্মকালীন বিনামূলীয়া প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈ যায়। এই শিবিৰত APSC, Bank ,SSC, CTet, CUET, ADRE, Railway পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই উপলক্ষে যোৱা ২৫ জুলাইত গ্ৰীষ্মকালীন প্ৰশিক্ষণ শিবিৰৰ লগত সংগতি ৰাখি এক সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। পৰিষদৰ উৰিয়াগাঁও আঞ্চলিক সমিতিৰ সভাপতি নমিতা বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক গীতাৰ্থ শইকীয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি উক্ত প্ৰশিক্ষণ শিবিৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে একোটা বিষয় কেনেদৰে আয়ত্ব কৰিব লাগে বা শিকিব লাগে, এই সম্পৰ্কীয় বক্তব্য আগবঢ়ায়। তেওঁ ভাষণ প্ৰসংগত আৰু কয় যে এনে বিনামূলীয়া প্ৰশিক্ষণ শিবিৰৰ জৰিয়তে ভৱিষ্যতে শিক্ষাৰ্থীসকলে বিভিন্ন বিভাগৰ চাকৰিৰ নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা অৰ্জন কৰিবলৈ সহায়ক হ'ব।সভাত বিশিষ্ট অতিথি হিচাপে পৰিষদৰ নগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক হেমন্ত দাসে নিজৰ ভাষণত ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক উত্তৰণৰ বাবে পৰিষদৰ উৰিয়াগাঁও আঞ্চলিক সমিতিয়ে লোৱা এনে পদক্ষেপৰ শলাগ লোৱাৰ লগতে অদূৰ ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলক সমাজসেৱাৰ কামত ব্ৰতী হ'বৰ বাবে আহ্বান জনায়। পৰিষদৰ উৰিয়াগাঁও আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক সঞ্জয়িতা বনিয়াই আঁত ধৰা সভাখনত মহেন্দ্ৰ ইনষ্টিটিউটৰ স্বত্বাধিকাৰী বিপ্লৱ শৰ্মা, শিক্ষক অজয় শৰ্মাই কেৰিয়াৰ গাইডৰ বিভিন্ন বিষয়ত আলোকপাত কৰে। সভাত জ্যেষ্ঠ সাংবাদিক জয়ন্ত বৰা আৰু নিপুল বৰাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি সময়োপযোগী ভাষণ প্ৰদান কৰে। উক্ত সামৰণি অনুষ্ঠানতে প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। সভাত উৰিয়াগাঁও গাঁও পঞ্চায়তৰ নৱ নিৰ্বাচিত সভাপতি ৰানু বৰা, উপ-সভানেত্ৰী ৰীনামাই বৰা, পৰিষদৰ নগাঁও জিলা সমিতিৰ যুটীয়া সম্পাদক নীলোৎপল হাজৰিকা, দীপাংকৰ শৰ্মা, সমাজসেৱা সম্পাদক কংকন বৰা, প্ৰচাৰ সম্পাদক দিপু শইকীয়া, সাংবাদিক বৰুণ জ্যোতি নেওগ, উৰিয়াগাঁও ক্ষুদ্ৰ ব্যৱসায়ী সন্থাৰ সভাপতি প্ৰভাত বৰা, সম্পাদক ৰূপৰাম হাজৰিকা প্ৰমুখ্যে বহু গণ্য-মান্য লোক উপস্থিত থাকে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা পতাকা উত্তোলন, শ্বহীদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত পৰিষদৰ উৰিয়া গাঁও আঞ্চলিক সমিতিৰ বিষয়ববীয়া আৰু পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক প্ৰাগজ্যোতিষ বনিয়াই অংশগ্ৰহণ কৰে।

# জালুকবাৰী সমষ্টিৰ ধৰ্মীয় অনুষ্ঠান, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ আৰ্থিক সাহায্য

## মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ অংশগ্ৰহণ



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ জালুকবাৰী বিধানসভা সমষ্টি তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিধায়ক উন্নয়ন পুঁজিৰ আৰু অসম চৰকাৰৰ আছুতীয়া পুঁজিৰ ধন যোৱা ৩ আগষ্টত আমিনগাঁও লোক নিৰ্মাণ বিভাগৰ প্ৰেক্ষাগৃহত পুৰণি জালুকবাৰী সমষ্টিৰ বেজেৰা মণ্ডল আৰু শুৱালকুছি মণ্ডলৰ ধৰ্মীয় অনুষ্ঠানসমূহৰ লগতে কেইবাটাও সংঘলৈ অনুদান বিতৰণ কৰা হয়। অনুদান বিতৰণ কাৰ্যসূচীত উপস্থিত থাকি মুখ্যমন্ত্ৰী মহোদয়ৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে ধৰ্মীয় অনুষ্ঠান আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান সমিতিৰ সভাপতি সম্পাদক সমূহক প্ৰাককলম মতে নিদিষ্ট সময়ৰ ভিতৰত কামবোৰ সম্পূৰ্ণ কৰিবলৈ আহ্বান জনায় আৰু স্বচ্ছতাৰে কাম সমূহ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকা, আঁচনি সমূহৰ পৰিদৰ্শক কালিচৰণ সেনৰ লগতে সমিতি সমূহৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

# নগাঁৱত অসম যোগ বিজ্ঞান মহাবিদ্যালয়ৰ যোগ ক্ৰীড়া শিক্ষাৰ মানপত্ৰ বিতৰণ অনুষ্ঠান সম্পন্ন




**জয়ন্ত মুদৈ, নগাঁও ঃ** নেহৰু যুৱ কেন্দ্ৰ (এম ৱাই ভাৰত), নগাঁৱত অৱস্থিত ৰাজ্যিক যোগ কেন্দ্ৰ, নিৰ্বাণত দেওবাৰে ৰাজ্যৰ অন্যতম অগ্ৰণী যোগ ক্ৰীড়া শিক্ষাৰ প্ৰতিষ্ঠান অসম যোগ বিজ্ঞান মহাবিদ্যালয়ৰ চলিত বৰ্ষৰ প্ৰশিক্ষাৰ্থীসকলৰ মাজত এমহীয়া, তিনিমহীয়া আৰু নমহীয়া যোগ ক্ৰীড়া শিক্ষাৰ পাঠ্যক্ৰমৰ প্ৰমানপত্ৰসমূহ বিতৰণ কৰা হয়। সৰ্বভাৰতীয় যোগ ফেডাৰেচনৰ উপ সভাপতি তথা অসম যোগ সংস্থাৰ সাধাৰণ সম্পাদক প্ৰভাত চন্দ্ৰ বৰাৰ সামগ্ৰিক পৰিচালনাত সম্পন্ন হোৱা এই অনুষ্ঠানত এম আই ভাৰতৰ জিলা যুৱ বিষয়া মহিত ৰাভা মুখ্য অতিথিৰূপে, অসম যোগ সংস্থাৰ যুটীয়া সম্পাদক তথা ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, সমাজকৰ্মী মহেশ ৰাউত, অনন্ত বৰঠাকুৰ, ৰুমি বৰা আৰু কৰবী শৰ্মা আদি সন্মানীয় অতিথিৰূপে উপস্থিত থাকি মানপত্ৰসমূহ বিতৰণ কৰে। সেই অনুষ্ঠানতে এম ৱাই ভাৰতৰ নগাঁও জিলাৰ ভাৰপ্ৰাপ্ত যুৱ বিষয়া মহিত ৰাভাক বিশেষভাৱে সম্বৰ্ধনাও জনোৱা হয়।

# পৰেশ বৈশ্য ফাউণ্ডেচনৰ শ্ৰেষ্ঠ বিদ্যালয় বঁটা ঘোষণা

## লখিমপুৰৰ টাউন মডেল প্ৰাথমিক বিদ্যালয়, গুৱাহাটীৰ নীলাচল জাতীয় বিদ্যালয় নিৰ্বাচিত

**ৰমেন ভৰালী, বংশৰ ঃ** শিক্ষাৰ উত্তৰণ আৰু সামাজিক পৰিৱৰ্তনৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ বিদ্যালয় বঁটা ঘোষণা কৰা হৈছে। ফাউণ্ডেচনৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই সদৰী কৰা অনুসৰি এই বঁটাৰ বাবে লখিমপুৰ জিলাৰ উত্তৰ লক্ষীমপুৰ টাউন মডেল প্ৰাথমিক বিদ্যালয় আৰু গুৱাহাটীৰ নীলাচল জাতীয় বিদ্যালয়ক নিৰ্বাচিত কৰা হৈছে। ১৯৮২ চনত চাৰিগৰাকী ছাত্ৰ- ছাত্ৰীৰ দ্বাৰা আৰম্ভ কৰা উত্তৰ লক্ষীমপুৰ টাউন মডেল প্ৰাথমিক বিদ্যালয়খনত বৰ্তমান ছাত্ৰ- ছাত্ৰীৰ সংখ্যা এক হাজাৰৰো অধিক। চৰকাৰী প্ৰাথমিক বিদ্যালয়ত ইমান ছাত্ৰ-ছাত্ৰী থকা স্কুল পাবলৈ বিৰল। উল্লেখযোগ্য যে ১৯৮৬ চনৰ পৰা ২০১৬ চনলৈকে চৰকাৰী প্ৰাথমিক বৃত্তি পৰীক্ষাত বছৰি ৭০ জনতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়খনৰ পৰা বৃত্তি লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰতি বছৰে বিদ্যালয়খনত নামভৰ্তি কৰিবলৈ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰে যদিও মাত্ৰ ১৫০ ৰ পৰা ২০০ জনমান ছাত্ৰ-ছাত্ৰীকহে বিদ্যালয়খনে নামভৰ্তিৰ সুযোগ দিব পাৰে। আনহাতে লখিমপুৰ জিলাৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থান লাভ কৰা সকলৰ সৰহ ভাগেই এইখন বিদ্যালয়ত অধ্যয়ন কৰি যোৱা শিক্ষাৰ্থী। আনহাতে গুৱাহাটীৰ নীলাচল জাতীয় বিদ্যালয়খন ২০০২ চনত স্থাপিত। এতিয়ালৈকে বিদ্যালয়খনৰ পৰা বিগত ১৪ ধৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণ হৈছে। শিক্ষাৰ্থীসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে বিদ্যালয়খনত ভালেমান সৃষ্টিশীল সহ বিদ্যায়তনিক কাৰ্যসূচী নিয়মীয়াকৈ ৰূপায়ণ কৰি অহা হৈছে। শিক্ষাৰ্থীসকলৰ বাবে সাহিত্য-সংস্কৃতি চৰ্চা, নৃত্য-গীত, বিজ্ঞানমনস্কতা আৰু পৰিৱেশ সজাগতাৰ দিশত বিদ্যালয়খনে প্ৰতিষ্ঠাৰ সময়ৰ পৰাই নিৰবিচ্ছিন্নভাৱে পদক্ষেপ গ্ৰহণ কৰি আহিছে। বিদ্যালয়খনে বাৰ্ষিক মুখপত্ৰ 'নিৰ্মালি', জ্ঞান অন্বেষণ বিষয়ক মাহেকীয়া পত্ৰিকা 'প্ৰজ্ঞা- প্ৰৱাহ', সাহিত্য বিষয়ক প্ৰাচীৰ পত্ৰিকা 'প্ৰগাঢ়' আৰু বিজ্ঞান-পৰিৱেশ বিষয়ক প্ৰাচীৰ পত্ৰিকা 'প্ৰজ্ঞান' নিয়মীয়াকৈ উলিয়াই সকলোৰে বাবে আদৰ্শ হ'ব পাৰিছে। অহা ১৫ ছেপ্টেম্বৰত গুৱাহাটীৰ কামাখ্যাগেটত থকা নীলাচল জাতীয় বিদ্যালয়ৰ সভা গৃহত অনুষ্ঠিতব্য শিক্ষা-সাংবাদিকতাৰ দিনত এই বঁটা প্ৰদান কৰা হ'ব। ন্যাসৰ ২০২৫ বৰ্ষৰ শিক্ষা সাংবাদিকতাৰ দিনৰ থিম হ'ল ঃ 'যিবোৰ কথা বিদ্যালয়ত শিকোৱা নহয়'। সেই দিনাই থিম বিষয়ক আলোচনাৰে সমৃদ্ধ গৱেষণা পুস্তিকা 'এডুকেৰে' প্ৰকাশ পাব বুলি ন্যাসৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে।

# মৰিগাঁৱৰ নিজৰা পাতৰ, কামৰূপৰ অতুল চন্দ্ৰ দাসলৈ শ্ৰেষ্ঠ শিক্ষকৰ বঁটা

**গুৱাহাটী ঃ** শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ ২০২৫ বৰ্ষৰ শ্ৰেষ্ঠ শিক্ষকৰ বঁটা ঘোষণা কৰা হৈছে। মৰিগাঁও জিলাৰ শংকৰদেৱ বিদ্যা নিকেতন, চৰাইবাহীৰ উপ-প্ৰধান আচাৰ্যা নিজৰা পাতৰ আৰু কামৰূপ জিলাৰ পিয়লিখাটা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অতুল চন্দ্ৰ দাসক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। অসমৰ এখন আগশাৰীৰ বিদ্যালয় তথা অসমৰ সকলোবোৰ শংকৰদেৱ বিদ্যা নিকেতনৰ ভিতৰত সৰ্বাধিক ছাত্ৰ-ছাত্ৰী থকা এই বিদ্যালয়খনক সৰ্বতোপ্ৰকাৰে আগবঢ়াই নিয়াৰ অন্যতম সহযোদ্ধা নিজৰা পাতৰে বিদ্যালয়খনৰ ছাত্ৰ- ছাত্ৰীসকলৰ সৰ্বাংগীণ উত্তৰণৰ হকে সেৱা আগবঢ়াই আহিছে। ১৯৯৯ চনত বিদ্যালয়খনৰ আচাৰ্যা হিচাপে যোগদান কৰি নিজৰ কৰ্মদক্ষতাৰ ফলত ২০০৫ চনৰ পৰা উপ-প্ৰধান আচাৰ্যাৰ দায়িত্ব পালন কৰি আহিছে। আনহাতে ১৯৯২ চনত শিক্ষকতা বৃত্তিত প্ৰৱেশ কৰি ২০২০ চনৰ পৰা কামৰূপ জিলাৰ পিয়লিখাটা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে দায়িত্ব লৈ কৃতী প্ৰধান শিক্ষক অতুল চন্দ্ৰ দাসে বিদ্যালয়খনক এক নতুন মাত্ৰা প্ৰদান কৰে। নিতৌ উদ্ভাৱনী চিন্তাৰে বিদ্যালয়খনক আগুৱাই নিয়া দাসে বিদ্যালয়খনত গ্ৰাম্য সংগ্ৰহালয়, উদ্ভাৱনী আৰু সামূহিক কেন্দ্ৰ স্থাপন কৰি আটাইৰে প্ৰশংসা বুটলিছে। তেখেতে বিদ্যালয়খনত ২৫০ বিধ ভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু ৬০ বিধ ঔষধিজাতীয় উদ্ভিদ ৰোপণ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। বিদ্যালয়খনত বিজ্ঞান আৰু গণিত সংঘ স্থাপনৰ লগতে হাতেলিখা আলোচনী প্ৰকাশ আৰু পেলনীয়া সামগ্ৰীৰে কলাত্মক সামগ্ৰী প্ৰস্তুতৰ বাবে শিক্ষাৰ্থীসকলক প্ৰশিক্ষণৰ দিহা কৰি আহিছে। তেখেতৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীৰ মাজত নিৰ্বাচন প্ৰক্ৰিয়াৰে ছাত্ৰ-সংসদ গঠনৰ এক ব্যৱস্থা কৰা হৈছে। অহা ১৫ ছেপ্টেম্বৰত গুৱাহাটীৰ কামাখ্যাগেটত থকা নীলাচল জাতীয় বিদ্যালয়ত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেচনৰ শিক্ষা-সাংবাদিকতাৰ দিনত এই বঁটা প্ৰদান কৰা হ'ব বুলি ন্যাসৰ পৰিচালন ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে।

# খেতিয়কৰ সন্তান

■ **ৰশ্মি ৰেখা দুৱৰা,** ডিব্ৰুগড়

গৰমৰ বন্ধ। খেতিয়কৰ বাবে ব্যস্ততাপূৰ্ণ সময়। সন্তানক ফুৰাব নিবলৈ ইচ্ছা থাকিলেও সময়ৰ নাটনি। বছৰৰ ভাতমুঠিৰ বাবে খেতি কৰিবই লাগিব।

সহপাঠী সকলো ফুৰিবলৈ গৈছে। ৰিতুৱে মামা ঘৰ, পাহিয়ে পেহী ঘৰ, গায়ত্ৰীয়ে পৰিয়ালৰ সৈতে আধ্যাত্মিক ঠাই দৰ্শন কৰিছে। ষষ্ঠ শ্ৰেণীত পঢ়ি থকা ৰাহুলৰ মনটো বেয়া লাগিছে যদিও দেউতাকৰ আগত প্ৰকাশ কৰিব পৰা নাই। মাক-বাপেকক খেতিতে জা-জলপান দিয়াত সহায় কৰি দিছে।

সকলোৱে ছাৰ-বাইদেউৰ আগত ফুৰিবলৈ যোৱাৰ কথা বৰ্ণনা কৰিব। ৰাহুলে কি ক'ব, তাকে ভাবি বিপাঙত পৰিছে।

## শাওণৰ ৰিমঝিম হ'লো মই

**নাছিৰ আহমেদ**
শিমলাবাৰী গোৱালপাৰা।

শাওণৰ ৰিমঝিম হ'লো মই
বুকু তিঁয়াই যায়,
হিয়াৰ যাতনাবোৰ
মোক বাৰে বাৰে সোঁৱৰায়।

মন মোৰ শাওণৰ মেঘ হ'ল
তোমাৰ সজল আঁখিযুৰি
বন্যাৰ ধল হৈ নামি
মোক বাৰে বাৰে কন্দুৱাই।

শাওণৰ ৰিমঝিম হ'লো মই
বুকু তিঁয়াই যায়
হিয়াৰ যাতনাবোৰ
মোক বাৰে বাৰে সোঁৱৰায়।

মই হ'বতো নোৱাৰোঁ
শেৱালিৰ সুবাস,
কোকিলৰ মিঠা মাত,
হ'বতো নোৱাৰোঁ
সূৰ্য্যৰ ৰাঙলী আভা;
ভঙা-চিঙা জীৱনৰ বীণ মোৰ
বাৰে বাৰে বিনায় মাথোঁ বিনায়।
তোমাৰ বিদায় বেলাত।

**ম'বাইল ঃ** ৯১০১৪-৬৫৮০৫

## নুফুলা ফুল

**পৰীস্মিতা গগৈ দত্ত**
শিৱসাগৰ

হঠাৎ এপাহ নুফুলা
ফুল ফুলিল হৃদয়ৰ
মণিকোঠাত।
পত্ৰ বিহীন লঠঙা গছ
জোপাত নৱ পাতেৰে
ভৰি পৰিল আশাৰ
বতৰা পাই।
খিলখিলাই হাঁহি
উঠিল জকমকাই
ফুলা ফুলপাহ।
কি নাম দি বাৰু?
গুটিমালি, ৰজনীগন্ধা
নে আকাশীলতা ...
আমোল মোলাবলৈ ধৰিলে
প্ৰস্ফুটিত হোৱা ফুকলীয়া
কুসুম পাহি।
লহ পহকৈ বাঢ়ি আহিল
মৰমৰ আবদাৰত।
নিতে বিমোহিত কৰিছিল
ভাবাৱেশ মনটোক সুগন্ধিৰ
সংযোগে।
লাহে, লাহে মিলি যাবলৈ
ধৰিলে সুগন্ধিৰ সংযোগত
বিচ্ছিন্ন হোৱা প্ৰাণটো।
কিন্তু?
কিমান দিনলৈ...
কিমান দিনলৈ ফুলি ৰ'ব
নুফুলা ফুলপাহ হৃদয়ৰ
নিভৃত কোঠালিত।
স্বাৰ্থ পূৰণ হ'ল
সৌৰভ বিলাই মোৰ
হেঁপাহৰ চোতালত।
নাজানো এতিয়া কাৰ
চোতালত বিলাইছে
জেউতি।
সেয়ে আৰু ...
ফুলিবলৈ নিদিও কোনোদিনেই
নুফুলা ফুলপাহ
মোৰ চোতাল উপচাই।

## এজোপা গছৰ স'তে কথোপকথন

**হেৰম্ব নাথ**

এজোপা গছৰ স'তে কথা পাতিছোঁ
প্ৰশ্ন কৰিছোঁ, তুমি কিয় ছাঁ দিয়া মানুহক?
উত্তৰত ক'লে ঃ মোৰ ওচৰত আহিছা যিহেতু
মই ছাঁ দিমেই, যিটো মোৰ ধৰ্ম।
তোমাৰ জন্ম কিহৰ বাবে মই নাজানো
কিন্তু মোৰ জন্ম
মানুহক ছাঁ দিবৰ বাবে;
মই মানুহৰ লালসা
পূৰণ কৰিব নোৱাৰিলেও
অভাৱ পূৰণ কৰিব পাৰোঁ।

গছৰ ছাঁ ঃ মোৰ প্ৰাণৰ ঝিঝিট
মায়াময় নীৰৱতাত
গছৰ ছাঁয়ে বহু অজানা কথা শিকাই;
সৃষ্টিশীলতাই ভুমুকি মাৰে বুকুৰ নিভৃত কোণত
সৰগীয় প্ৰত্যয় অনুভৱ কৰে কলিজাটোৱে।
গছৰ ছাঁৰ চিত্ৰকল্প অবৰ্ণনীয়
নহয় ধূসৰ কিম্বা অপসৃয়মান।
বিনন্দীয়া প্ৰকৃতি
গাঁৱৰ মানুহ আমি
কদাপি নষ্টালজীয়া নহয় গছৰ ছাঁ।
গছৰ প্ৰতি প্ৰত্যাশিত প্ৰেম
এটা কঠিন কাম যদিও
সত্যানুসন্ধানত আবিষ্ট মনে সেউজ সপোন ৰচি
জীৱনৰ জয়গান গাব পাৰে।
গছে খুবেই ভাল পায় মানুহক
মানুহৰ দৰে গছেও অনুভৱ কৰে
আমি কাৰ বাবে?
যদিও মোৰ কাষত কোনো নাই
গছৰ পৰা শিকিলোঁ
মানুহ কদাপি নিসংগ নহয়।

**ম'বাইল ঃ** ৭০০২৭-৯৭৫৪০

## মানুহৰ সপক্ষে

**প্ৰভাত বণিয়া**

প্ৰত্যেক মানুহকে কবি বুলি
জ্ঞান কৰা হয়
তেওঁলোকৰ থাকে জ্ঞান, বিবেক, বুদ্ধি আৰু শালীনতা
মানুহৰ প্ৰতি থাকে পৰম
উৎকণ্ঠা

মানুহৰ সুখ-দুখৰ খবৰ ৰাখে
নৰিয়াত পৰিলে কান্দে অন্তৰাত্মা
অনাকাংক্ষিত বিপদ-আপদত
হাতৰ মুঠি আপোনা আপুনি
সবল হয়
কোবাল নৈখনকো ভেটা বান্ধি
উন্মোচিত কৰিব খোজে মানুহৰ কল্যাণৰ গান
বুজি পায় দুখাৰ্ত জনৰ মৰ্ম্ম বেদনা
সৰ্বস্ব হেৰুৱাজনৰ মনৰ ক্ষোভ
তেওঁলোকৰ নাই ধৰ্মৰ গোড়ামি
কোনো জাত-পাত নাই
নাই ধনী দুখীয়াৰ প্ৰভেদ
মানৱতা হ'ল তেওঁলোকৰ সাঁচতীয়া ধৰ্ম
তেওঁলোক প্ৰত্যেকে একোজন মানুহ
সৃষ্টিশীল, দয়াশীল, সহনশীল
দৃষ্টিত তেওঁলোকৰ ৰজা-প্ৰজা সকলো সমান
মানুহৰ প্ৰতি থকা মূল্যবোধ তেওঁলোকৰ
পৰম সম্পদ
যি জিলিকাই তোলে তেওঁলোকৰ
গৰিমাময় জীৱনৰ স্বৰ্ণালী সোপান

সেয়ে
প্ৰত্যেক মানুহকে কবি বুলি জ্ঞান কৰা হয়
তেওঁলোকৰ থাকে
জ্ঞান, বিবেক, বুদ্ধি আৰু শালীনতা
মানুহৰ প্ৰতি থাকে পৰম উৎকণ্ঠা।

## খৰাং

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

খৰাং বতৰ শাওণৰ ভৰ দুপৰ
চিৰাল ফাঁট মেলিলে শইচ পথাৰ
নদীৰ গতিও যেন মন্থৰ

ফুলিছে সোণাৰু, কৃষ্ণচূড়া বৰ উছাহত
গ্ৰীষ্মৰ বাৰ খৰৰ শেষত
জীপাল কৰাৰ আশাৰে ধৰাৰ বুকু।

আহিবনে বাৰু শাওণ
খৰাঙক আওকাণ কৰি
হ'বনে ভকুৱা শইচ পথাৰ
গজিবনে শইচৰ বীজ,
উৎকট প্ৰখৰ সূৰ্যৰ উত্তাপ
পুৱাতে হৈ যায় দুপৰীয়া
জুই বৰষিছে যেন বৰ্ষাৰ পৃথিৱীত।

জীৱই ঠাঁৱনি পোৱা নাই থাকিব
সকলোৱে উপলব্ধি কৰক
গছ-গছনি থাকিলেহে বাচি থাকিব
জীৱ-জন্তু পৃথিৱীত
সকলোৱে সংকল্প লওক প্ৰতিজনে
বছৰত এজোপাকৈ গছ ৰোৱাৰ,
গছ নকটাকৈ থকাৰ
তেতিয়াহে খৰাংৰ পৰা
সকাহ পাব পৃথিৱীবাসীয়ে
উত্তপ্ত পৃথিৱীও হ'ব শীতল
এজাক বৰষুণত।

**ম'বাইল ঃ** ৯৪০১৮-৭৬৭২৮

## অব্যক্ত যন্ত্ৰণাৰ জীৱন্ত দলিল

**পৰিস্মিতা বৰুৱা**
যোৰহাট

কথাৰ মাজতো লুকাই থাকে
অনেক কথা,
হাঁহিৰ মাজতো থাকে
হয়তো অনেক বেদনা।
বুকুৰ মাজতে থাকে
অনেক অপ্ৰকাশিত কথা,
পাৰি জানো প্ৰকাশ কৰিব
মনৰ এই গাথা?
কল্পনাৰে সজোৱা পৃথিৱী
সদায় ধুনীয়া,
বাস্তৱত দেখোন সকলো
কঠিনতাৰে ভৰা।
চকুৰে দেখা সকলোচোন বাস্তৱ
কিন্তু সকলোবোৰ জানো সত্য?

**ম'বাইল ঃ** ৭৬৩৬০-৬৮৯৪৯



## সমাৰ্থক

**নয়ন মণি মিশ্ৰ**
নগাঁও অসম

অসহ্য যন্ত্ৰণা
লুকুৱাই থোৱা
নিষ্ঠুৰ প্ৰচ্ছদ
'কবিতা'ৰ মানে
জীৱন, প্ৰেম
নাইবা
পোৱা-নোপোৱা....
শূন্যতাৰ
কেনভাচত
ভাত
হ'ব পাৰে
জীৱনৰ সমাৰ্থক

**ম'বাইল ঃ** ৮৪০৩৮-৪১৬১৭

## নাটক ঃ প্ৰেক্টিকেল

**শতাব্দী শৰ্মা**
আমোলাপট্টি,নগাঁও

এইবছৰৰ পৰিসমাপ্তি হোৱা
মঞ্চসফল নাট 'প্ৰেক্টিকেল'।
আহক, ধনী-দুখীয়া, উচ্চ - নীচ জাতিভেদে
মুখা পিন্ধা ৰাইজ ওলাই আহক।
সাধাৰণ মানুহৰ মাজত বিশেষ হোৱাৰ
মঞ্চসফল নাট আমিও কৰিম।
কোনো জীৱনৰ তিক্ততাই চুব নোৱাৰাকৈ
গহীন-গম্ভীৰ মুখ আমিও সাজিম।
পদপথত হেঁচা-ঠেলা যান-বাহনৰ,
মানুহৰ শৰীৰত হেঁচা-ঠেলা লোভ-মোহৰ,
'প্ৰেক্টিকেল' নাটকৰ ভাৱৰীয়াই
দুখ নুবুজে, সুখ নিবিচাৰে।
সৰু সৰু সুখত সুখী নহয়, ডাঙৰ ডাঙৰ সুখত
ৰোগী হয়।
ভদ্ৰ মানুহৰ চকুত থকা অহংকাৰৰ শিখাই
পলকতে ভস্ম কৰে সৰল ৰমলাক।
ৰমলাই দুটি কমলা লৈ
নাটকৰ মঞ্চলৈ উঠিছে,
তাই 'প্ৰেক্টিকেল' বেপাৰী নে মানসিক ৰোগী?

**ম'বাইল ঃ** ৬৯০১১-৫২৪২৯



## এটি বাঁহীৰ সুৰ

**যমুনা দুলু বৈশ্য,** শুৱালকুছি

কদম জোপাই নতুনকৈ
পোখা মেলিছে।
নৈখনৰ দুটি পাৰতে বাজিছে
এটি বাঁহীৰ সুৰ।

ঢৌৰ লহৰে লহৰে উটি ফুৰিছে
হৃদয় ৰাগিনীৰ ভাল লগা
নুপূৰৰ সুৰ সমলয়ত
ম'ৰা পাখিয়ে উলাহতে ওমলে।

আঘোণৰ জোন গ'লা পোহৰত
আকাশ বতাহে শৰৎ বতৰাৰে
প্ৰকৃতি আৰু প্ৰেমিক পখীও নাচিছে
প্ৰজ্ঞাৰ পানচৈ ডিঙা মেলি।

বুকু ভৰা প্ৰণয়ৰ চিনাকিৰে
আবদ্ধ কৰিছেহি মনৰ হেঁপাহেৰে
পৰমাত্মাৰ লগত মিলনৰ
সুখৰ অনুভূতি।

স্বচ্ছ হৃদয়ৰ সময়ৰ আহ্বানে
সেই বাঁহীৰ শব্দৰ ঝংকাৰ ধ্বনি
আলসুৱা প্ৰিয় ৰাধাৰ আকুল
অনুভূতিত সাৱপায় আজিও বৃন্দাবন।

## পৃষ্ঠা

**পাপু মজুমদাৰ**
নগাঁও, অসম

নোটবহীৰ শেষ পৃষ্ঠা
কেতিয়াও শূন্য নহয়,
মনৰ অলেখ কল্পনা
প্ৰণয়ৰ ইতিহাস নীৰৱে
তাত লিখা হয়....
কথাবোৰ হয়তো কবিতা নহয়
কিন্তু
কিছু কথাৰ পৰাই
সৃষ্টিৰ পথাৰত গজালি মেলে--
আমাৰ প্ৰিয় কবিতাই।

**ম'বাইল ঃ** ৯৮৬৪২-০১৭৭৯

প্ৰথম পৃষ্ঠাৰ পৰা

# জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশাসনিক পৰ্যবেক্ষক সহায়ক বিপুল চন্দ্ৰ বৰাৰ্লৈ 'লোকসেৱা বঁটা' প্ৰদান

কৰি আয়ুক্ত গৰাকীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ দেৱে স্বাধীন অসম গঢ়াৰ ক্ষেত্ৰত সামাজিক, সাংস্কৃতিক আৰু প্ৰশাসনিক দিশত আগবঢ়োৱা অৱদানক সোঁৱৰণ কৰি বক্তব্য আগবঢ়ায়। এখন সুস্থ সবল সমাজ গঢ়াৰ ক্ষেত্ৰত সকলো কৰ্মচাৰীকে লোকসেৱাৰ মনোভাৱেৰে আগবাঢ়ি যাবলৈ আয়ুক্ত গৰাকীয়ে আহ্বান জনায়। এইবাৰৰ নগাঁও জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ত কৰ্মৰত, জিলা প্ৰশাসনিক পৰ্যবেক্ষক সহায়ক বিপুল চন্দ্ৰ বৰাৰ্লৈ আগবঢ়োৱা হৈছে অসম চৰকাৰৰ চলিত বৰ্ষৰ 'লোকসেৱা বঁটা'। ১৯৯৮ চনত কলিয়াবৰৰ মহকুমাধিপতিৰ কাৰ্যালয়ত চৰকাৰী কৰ্মচাৰী হিচাপে যোগদান কৰি প্ৰায় ২৪ বছৰে সেৱা আগবঢ়োৱা তথা পৰৱৰ্তী ২০২১ চনত নগাঁৱৰ জিলা আয়ুক্ত কাৰ্যালয়লৈ বদলি হৈ অহা বিপুল চন্দ্ৰ বৰাই বিগত প্ৰায় ২৬ বছৰে বিভিন্ন শাখাত নিষ্ঠা আৰু সততাৰে ৰাইজৰ সেৱা আগবঢ়াই আহিছে আৰু জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্ম ব্যস্ততাৰ মাজতো সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত হৈ আহিছে। জিলা খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উপ পৰিদৰ্শক পলাসী বৰাই সুন্দৰ উপস্থাপনেৰে আঁতধৰা উক্ত অনুষ্ঠানটিত বঁটাপ্ৰাপক বিপুল চন্দ্ৰ বৰাৰ পিতৃ তথা অৱসৰপ্ৰাপ্ত ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত কৃতি শিক্ষক কমলা কান্ত বৰাই সাৱলীল বক্তব্য আগবঢ়ায়। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নগাঁও পৌৰসভাৰ সভানেত্ৰী অম্বিকা মজুমদাৰ, নগাঁও পৌৰসভাৰ উপ-সভাপতি সীমান্ত বৰা, অতিৰিক্ত আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল, জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, গণ্যমান্য ব্যক্তিসকলকে প্ৰমুখ্য কৰি জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে বঁটাপ্ৰাপ্ত বিপুল চন্দ্ৰ বৰাদেৱৰ পৰিয়ালবৰ্গ উপস্থিত থাকে।

# কামৰূপৰ জিলা আয়ুক্ত কাৰ্যালয় চৌহদত জাতিৰ পিতাৰ প্ৰতিমূৰ্তি উন্মোচন-মুখ্যমন্ত্ৰীৰ

দেশৰ এইধৰণৰ অন্যতম বৃহৎ ন্যায়িক চৌহদ হিচাপে পৰিগণিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কামৰূপ জিলাৰ ৰংমহলত নিৰ্মাণ হ'বলগীয়া অত্যাধুনিক জুডিচিয়েল টাউনশ্বিপৰ বাবে ভূমি অধিগ্ৰহণ কৰা ২৬ টা পৰিয়ালক ভূমি অধিগ্ৰহণৰ ক্ষতিপূৰণ হিচাপে প্ৰায় ১৬.২৭ কোটি টকা আনুষ্ঠানিকভাৱে প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানতে কামৰূপ জিলাৰ হাজোৰ গেৰুৱা অঞ্চলৰ নিৱাসী অনাংগ দাস নামৰ দিব্যাংগ যুৱকজনক এখন ই-ৰিক্সা প্ৰদান কৰে। ২০০৬ চনত এক জটিল ৰোগত আক্ৰান্ত হোৱা যুৱকজনে দীৰ্ঘদিনীয়া চিকিৎসাৰ অন্তত ২০১৩ চনত আৰোগ্য লাভ কৰিবলৈ সক্ষম হৈছিল যদিও তেওঁৰ এখন ভৰি অকামিলা হৈ পৰিছিল। শাৰীৰিক বাধাগ্ৰস্ততাকো নেওচি ২০২২ চনত স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰা অনাংগ দাসক এই ই-ৰিক্সাখন ইউকো বেংকৰ ক'ৰ্পৰেট সামাজিক দায়বদ্ধতা পুঁজিৰ অধীনত আগবঢ়োৱা হৈছে। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ন্যায়িক তথা পৰ্যটন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধায়ক ভৱেশ কলিতা আৰু দিগন্ত কলিতাকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# বিশিষ্ট সাহিত্যিক অমূল্য কুমাৰ ভাগৱতীৰ স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন

কবি সন্মিলনৰ উপদেষ্টা তথা প্ৰাক্তন মন্ত্ৰী উমেশ চন্দ্ৰ দাস, শিল্পী পেঞ্চনাৰ পৰাণ চন্দ্ৰ দাস, সমাজকৰ্মী মুৰুলী মজুমদাৰ, কেশৱ ৰাজা, শাখাৰ সভাপতি পুতুল চন্দ্ৰ ডেকা, সম্পাদিকা আৰতি মেধি, প্ৰচাৰ সম্পাদক ধ্ৰুৱ কুমাৰ ৰাজা (মান্না), ৰহদৈ কবি মঞ্চৰ কাঃ সভাপতি বিনু লস্কৰ ঠাকুৰীয়া আৰু সম্পাদক বিপুল চন্দ্ৰ কলিতা প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত হৈ প্ৰয়াত ভাগৱতীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শাখাৰ সম্পাদিকা আৰতী মেধিয়ে আঁত ধৰা উক্ত অনুষ্ঠানত শাখাৰ উপদেষ্টা তথা প্ৰাক্তন মন্ত্ৰী উমেশ চন্দ্ৰ দাসে কয় যে - প্ৰয়াত ভাগৱতী কৃষি কৰ্মৰ লগত জড়িত হোৱাৰ উপৰি প্ৰচুৰ প্ৰত্যাহ্বানকো নেওচি নিৰৱ সাধনাৰে তেখেতে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। প্ৰয়াত ভাগৱতী একেৰাহে এগৰাকী নাট্যকাৰ, কবি, গল্পকাৰ, ঔপন্যাসিক আছিল। তেখেতৰ 'জোনাকীৰ পোহৰ' শীৰ্ষক উপন্যাসখনে অসম সাহিত্য সভাৰ ২০১৩ বৰ্ষৰ দ্বিসপ্ততিতম বৰপেটাৰোড অধিৱেশনত শ্ৰেষ্ঠ উপন্যাস প্ৰণেতাৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি ভাগৱতী অঞ্চলৰ শৰীৰ চৰ্চা কেন্দ্ৰৰ বাটকটীয়াস্বৰূপ আছিল। অনুষ্ঠানত সাহিত্যিক বিপুল চন্দ্ৰ কলিতাইও বিগত দিনবোৰত প্ৰয়াত ভাগৱতীৰ সান্নিধ্য লাভ কৰি তেখেতৰ উদাৰ আৰু ত্যাগী ব্যক্তিত্বৰে কৰা তেখেতৰ চিৰ যুগমীয়া সৃষ্টিৰাজিৰ ওপৰত গুণানুকীৰ্তন কৰে। উল্লেখ্য যে প্ৰয়াত ভাগৱতীয়ে যোৱা ৩০ জুলাই তাৰিখে বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহতে পৰলোকপ্ৰাপ্তি হৈছিল। সদৌশেষত কাব্যমন্ত্ৰ পাঠেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# আমিনগাঁৱত শৰাইঘাট হ্ৰদৰ উন্নয়ন আৰু সৌন্দৰ্যবৰ্ধন প্ৰকল্প

পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধায়ক ভৱেশ কলিতা আৰু দিগন্ত কলিতা, পৰ্যটন বিভাগৰ আয়ুক্ত-সচিব দিগন্ত বৰা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# চুটিগল্পৰ পৃথিৱী, অসমৰ চৰাইদেউ জিলা সমিতি গঠন

## লোক সংস্কৃতিৰ গৱেষক পণ্ডিত, মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল শইকীয়া উপদেষ্টা



**ৰমেন ভৰালী, বংশৰ ঃ** অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত চুটিগল্পৰ প্ৰচাৰ আৰু প্ৰসাৰতা তথা পাঠক আৰু লেখক সৃষ্টিৰ প্ৰয়াসেৰে নতুনকৈ গঠিত 'চুটিগল্পৰ পৃথিৱী, অসম'ৰ উদ্যোগত চৰাইদেউ জিলা শাখা সমিতি গঠনৰ উদ্দেশ্যে যোৱা ৩ আগষ্ট ২০২৫ তাৰিখে, চৰাইদেউ জিলাৰ সোণাৰি ছাত্ৰ সন্থাৰ স্থায়ী কাৰ্যালয়ত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। 'চুটিগল্পৰ পৃথিৱী, অসম'ৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা পাপৰী গগৈ বুঢ়াগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু সভাৰ আঁতধৰে চুটিগল্পৰ পৃথিৱী, অসমৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি তথা সংকলন সম্পাদিকা, বিশিষ্টা লেখিকা পূৰবী বৰুৱা ফুকনে। সভাৰ উদ্দেশ্য ব্যাখ্যাত তেওঁ কয় যে— অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত চুটিগল্পৰ প্ৰচাৰ আৰু প্ৰসাৰতা তথা পাঠক আৰু লেখক সৃষ্টিৰ প্ৰয়াসেৰে গঠিত 'চুটিগল্পৰ পৃথিৱী, অসম' নামৰ এখন মঞ্চৰ জন্ম। আধুনিক যুগত ড° লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত সৃষ্টি হোৱা অসমীয়া চুটিগল্পই জোনাকীৰ পাতেৰে অসমীয়া সাহিত্যৰ জগতত ভূমুকি মাৰি এক নৱ বিপ্লৱৰ সূচনা কৰিছিল। পৰিতাপৰ কথা যে বৰ্তমান সময়ত চুটিগল্পৰ পৰা পাঠক কিছু পৰিমাণে আঁতৰি যোৱা পৰিলক্ষিত হৈছে। বৌদ্ধিক ক্ষেত্ৰতখনত চুটিগল্পৰ চৰ্চা যিধৰণে হ'ব লাগিছিল সেয়া হোৱা পৰিলক্ষিত নহয়। আজিকালি সামাজিক মাধ্যমতেই কওক বা অনুষ্ঠান-প্ৰতিষ্ঠানতেই হওক কবিতাৰ চৰ্চা ব্যাপক হাৰত হোৱা দেখিবলৈ পোৱা যায়। অসমীয়া সাহিত্যৰ বাবে ই শুভ লক্ষণ। কিন্তু তাৰ সমান্তৰালকৈ আমি চুটিগল্প চৰ্চাৰ ক্ষেত্ৰত লেখক-পাঠকসকলে যি ভূমিকা ল'ব লাগিছিল তাৰ পৰা কোনোবাখিনিত যেন পিছ পৰি ৰৈছোঁ। বৰ্তমান সময়তো চুটিগল্প সৃষ্টি হৈছে, তাক নুই কৰিব নোৱাৰি। আমি চুটিগল্প ৰচনা কৰিছোঁ। কিন্তু সেই সমূহৰ মান বা বৈশিষ্ট্য আৰু ভাষাৰ প্ৰয়োগৰ প্ৰতি আমি কিমান সচেতন। গতিকে নৱ-প্ৰজন্মক চুটিগল্পৰ প্ৰতি আগ্ৰহী কৰি তোলা আৰু চুটিগল্পক বিশ্ব সাহিত্যৰ বুকুত উজ্বলাই তোলাৰ এক মহান উদ্দেশ্য আগত ৰাখি, 'চুটিগল্পৰ পৃথিৱী, অসম'ৰ এই নৱ নিৰ্মিত মঞ্চখনে অসমৰ প্ৰতিখন জিলাতে শাখা সমিতি গঠন কৰি চুটিগল্প পাঠন-লেখন আৰু কৰ্মশালাৰ যোগেদি অসমীয়া চুটিগল্পৰ ক্ষেত্ৰতখনলৈ নতুনত্বৰ সোৱাদ বোৱাই দিবলৈ প্ৰয়াস কৰিছে বুলি বক্তব্য প্ৰকাশ কৰে। সভাত বিশিষ্ট শিক্ষাবিদ মণি গগৈ, বিবেকা হাজৰিকা, ৰুণু সন্দিকৈ, জুৰী দেৱী ফুকন, ডিম্বেশ্বৰ কোঁৱৰ,কবিতা গগৈ, প্ৰীতিমা চাংমাই, ৰাতুল তেতিয়া ফুকন, স্বপন কৰ, নয়নমণি আৰন্ধৰা, প্ৰদীপ তেতিয়া ফুকন, মহেন্দ্ৰ বড়াকে আদি কৰি উপস্থিত বিশিষ্ট ব্যক্তি সকলে 'চুটিগল্পৰ পৃথিৱী, অসম'ৰ এই উদ্যোগক্তা সকলৰ চিন্তা-চেতনাৰ শলাগ লয়। সভাত উপস্থিত সকলোৱে চুটিগল্পৰ পৃথিৱী, অসমৰ সৈতে জড়িত হৈ থকাৰ আশ্বাস প্ৰদান কৰে আৰু বিভিন্ন বিষয়ৰ ওপৰত পৰামৰ্শ আগবঢ়ায়। আনুষ্ঠানিকভাৱে গঠিত চৰাইদেউ জিলা শাখা সমিতিৰ উপদেষ্টা হিচাপে থাকে লোক সংস্কৃতিৰ গৱেষক পণ্ডিত, মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল শইকীয়া, বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক পেঞ্চনাৰ ৰতি প্ৰভা গগৈ, বেলা বৰা, ৰুণু সন্দিকৈ, জুৰি দেৱী ফুকন, কবিতা গগৈ, প্ৰীতিমা চাংমাই। সমিতিৰ সভাপতি নিৰ্বাচিত কৰা হয়- ডিম্বেশ্বৰ কোঁৱৰক। কাৰ্যকৰী সভাপতি-বিবেকা হাজৰিকা। উপ সভাপতি - ৰাতুল চেতিয়া ফুকন আৰু প্ৰদীপ চেতিয়া ফুকন। সম্পাদক - আৰতি বৰা। সহঃ সম্পাদক- নয়নমণি কোঁৱৰ, নয়নমণি আৰন্ধৰা। প্ৰচাৰ সম্পাদক, স্বপন কৰ, ৰূপাঞ্জলী হাজৰিকা, তৰু ডি বৰা। সাংগঠনিক সম্পাদক ঃ কল্পনা বৰুৱা, মহেন্দ্ৰ বড়া, গোবিন মুৰ্মু। এই বিশিষ্ট লেখক আৰু সাহিত্যানুৰাগীসকলক সামৰি চৰাইদেউত 'চুটিগল্পৰ পৃথিৱী, অসম'ৰ এখন বলিষ্ঠ জিলা শাখা সমিতি গঠন কৰা হয়।

# উদয়নীল মিনি থিয়েটাৰৰ পঞ্চম নাট্যবৰ্ষৰ শুভাৰম্ভ



**ৰমেন ভৰালী, বংশৰ ঃ** কামৰূপ জিলাৰ সৰুলাহ আমৰতলৰ নাট্য শিল্পী প্ৰতাপ কলিতাৰ প্ৰযোজনাৰ উদয়নীল মিনি থিয়েটাৰৰ পঞ্চম নাট্যবৰ্ষৰ যোৱা ৩ আগষ্টত শুভাৰম্ভ কৰে। প্ৰযোজকৰ স্থায়ী বাসগৃহৰ আখৰা স্থলীত শংখ্ঘ ঘন্টাৰ মাঙ্গলিক ধ্বনিৰে আখৰা গৃহ উদ্বোধন কৰে ভাৰতীয় জনতা পাৰ্টীৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাসে। বৰ্ষটোৰ বেনাৰ উন্মোচন কৰে হাজো পঞ্চতীৰ্থ ৩ নং জিলাপৰিষদৰ সদস্যা ৰীতা ডেকাই। এই সন্দৰ্ভত শিক্ষক বাবুল দাসৰ পৌৰহিত্যত্বত এখনি উদ্বোধনী সভাৰ আয়োজন কৰি নাট্যকাৰ ৰাধেশ্যাম কলিতাৰ অজ্ঞাবাসত অনুৰাধা আৰু ৰমা বৰ্মনৰ হিয়া ভগা বিয়া নাট দুখন মুকলি কৰে দুয়োজন নাট্যকাৰে। উক্ত উদ্বোধনী সভাতেই দীৰ্ঘদিনীয়া নাট্য সাধনাৰ বাবে হালোগাঁও নিৱাসী অৱসৰী শিক্ষক জ্যোতিষ কলিতাক প্ৰথমবাৰৰ বাবে উদয়নীল বটা প্ৰদান কৰা হয়। উদ্বোধনৰ প্ৰাকক্ষণত উদীয়মান অভিনেতা প্ৰয়াত ৰামেশ্বৰ কলিতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। প্ৰতাপ কলিতাৰ প্ৰযোজনাৰ উদয়নীল মিনি থিয়েটাৰৰ সহ প্ৰযোজিকা শশীপ্ৰভা কলিতা পৃষ্ঠপোষক কৰুণা কলিতা। নাট্যবৰ্ষটিত অভিনেতা-অভিনেত্ৰীসকল ক্ৰমে মন্টু কাকতি, বিতোপন দাস, লক্ষ্য ডেকা, ভায়োলিনা বৰুৱা, বিংকি ডেকা কন্দৰ্প দাস, পিংকু উজীৰ আদি।

# শিমলুগুৰি বুঢ়ানামঘৰৰ শংকৰী নৃত্য কৰ্মশালাৰ সফল সামৰণি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ নাতিদুৰৈৰ শিমলুগুৰি বুঢ়ানামঘৰৰ উদ্যোগত অনুষ্ঠিত হোৱা দহদিনীয়া শংকৰী নৃত্য কৰ্মশালা সফল সামৰণি পৰে। ২১ জুলাইত নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা কৰ্মশালাৰ সামৰণি পৰে। অনুষ্ঠানৰ আৰম্ভণিতে গাঁৱৰে বায়ন প্ৰকাশ ডেকাৰ নেতৃত্বত খোলবাদ্যৰ প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা চাহনী প্ৰদৰ্শন কৰা হয়। লগতে শংকৰী নৃত্য কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে মাটি আখৰা প্ৰদৰ্শন কৰে। শিশু সকলক শংকৰী নৃত্য প্ৰশিক্ষণ প্ৰদান কৰে গাঁৱৰে চুইটি ডেকা আৰু বিদিশা ডেকাই। এই অনুষ্ঠানতেই শিমলুগুৰি গাঁৱৰ শিক্ষক তথা সামাজিক কৰ্মী লাচিত ডেকাক নগাঁও জিলা সাহিত্য সভাৰ পৰা আজীৱন সদস্য প্ৰমাণ-পত্ৰ প্ৰদান কৰে। উল্লেখ্য যে গ্ৰীষ্ম বন্ধৰ সময়ত শিশু সকলক মোবাইল ফোনৰ পৰা আঁতৰাই আনি শংকৰী কলা সংস্কৃতিৰ পৰি আগ্ৰহী কৰা এই কৰ্মশালাৰ উদ্দেশ্য আছিল। অনুষ্ঠানটিত অতিথিৰূপে উপস্থিত থাকে কাছমাৰি আঞ্চলিক সাহিত্য সভাৰ সভাপতি অমিয় কুমাৰ ডেকা, সম্পাদক বসন্ত দুৱৰা কাছমাৰি পঞ্চায়তৰ প্ৰাক্তন সভাপতি পংকজ বৰা আৰু সাংস্কৃতিক কৰ্মী জিতু বৰা।




Janasanyog RO no 1462/25/8-August-25

# অসম সাহিত্য সভাৰ মঞ্চত সকলো জনগোষ্ঠীয়েই মৰ্যাদা পাব লাগিব ঃ দেৱজিৎ বৰা

## অসম সাহিত্য সভাৰ নৃগোষ্ঠীয় নৃত্যৰ ছন্দে ছন্দে... শীৰ্ষক মন জুৰুৱা অনুষ্ঠান সম্পন্ন

গুৱাহাটী ঃ “অসম সাহিত্য সভাৰ মঞ্চত সকলো জনগোষ্ঠীয়েই মৰ্যাদা পাব লাগিব। অসমৰ নিৰ্দিষ্ট ভূখণ্ডৰ পাহাৰে-ভৈয়ামে থকা সকলো নৃগোষ্ঠীয়ে মৰ্যাদাপূৰ্ণভাৱে সহৱস্থান কৰি থাকিব। অসম সাহিত্য সভাই অসম মূলুকৰ সকলো নৃগোষ্ঠীক মৰ্যাদা প্ৰদান কৰি ঐক্যবদ্ধভাৱে আগুৱাই যোৱাৰ সংকল্প গ্ৰহণ কৰিছে।” অসম সাহিত্য সভাৰ মংগল চণ্ডী ব্ৰহ্ম ভাষা-সাহিত্য-সংস্কৃতি গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত আৰু আৰোহণ ফাউণ্ডেশ্যন, গুৱাহাটীৰ সহযোগত আজি সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত ‘নৃগোষ্ঠীয় নৃত্যৰ ছন্দে ছন্দে...’ শীৰ্ষক এটি মন জুৰুৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই এইদৰেই কয়। ভাষণ প্ৰসংগত বৰাই লগতে কয় — “অসমীয়া জাতি শক্তিশালী কৰিবলৈ হ’লে সকলো জনগোষ্ঠী এক হ’বই লাগিব। সেয়ে, অসম সাহিত্য সভাই পাহাৰে-ভৈয়ামে বসতি স্থাপন কৰি থকা জনগোষ্ঠীসমূহৰ ওচৰলৈ গৈ মনৰ খবৰ লৈছে। আজিৰ এই অনুষ্ঠানটোৰে মঙ্গল চণ্ডী ব্ৰহ্মকে নহয়, কোচ ৰাজবংশী আৰু শৰণীয়া কছাৰী জনগোষ্ঠী দুটাক সন্মানিত কৰা হৈছে।” সভাৰ ‘চিৰ চেনেহী মোৰ ভাষা জননী...’ গীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিৰ আৰম্ভণিতে প্ৰয়াত মংগল চণ্ডী ব্ৰহ্মৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্জ্বলন কৰা হয়। মংগল চণ্ডী ব্ৰহ্ম ভাষা-সাহিত্য-সংস্কৃতি গৱেষণা প্ৰতিষ্ঠানৰ কাৰ্যকৰী সভাপতি সীমা কাশ্যপে আদৰণি ভাষণ প্ৰদান কৰা সভাত অসম শৰণীয়া কছাৰী সাহিত্য সভাৰ সভাপতি সোণবৰ বৰুৱা আৰু কোচ ৰাজবংশী জনগোষ্ঠীৰ বিশিষ্ট ব্যক্তি ডাঃ সমৰ তালুকদাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে। সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি সোনবৰ বৰুৱাই কয় — “শৰণীয়া কছাৰী জনগোষ্ঠীৰ মুকচা (গামোচা), হাচদা (মহিলাৰ মূৰত বন্ধা কাপোৰ) আৰু বেৰমেটি (ককালত বন্ধা কাপোৰ) থকালৈকে উক্ত জনগোষ্ঠীটো পৃথিৱীত বৰ্তি থাকিব”। ইফালে কোচ ৰাজবংশীৰ সমল ব্যক্তি ডাঃ সমৰ তালুকদাৰে কয়— “গোৱালিনী নৃত্য, কুশান নৃত্য, হুডুম আদি নৃত্যসমূহে কোচ ৰাজবংশী জনগোষ্ঠীক পৃথিৱীত এক সুকীয়া পৰিচয় দিবলৈ সক্ষম হৈছে। এইসমূহ নৃত্যৰে আজিৰ পৰিৱেশনা আৰু পৰ্যালোচনাই জনগোষ্ঠীটোক অসম সাহিত্য সভাই অধিক মৰ্যাদা প্ৰদান কৰিলে; তাৰবাবে সাহিত্য সভা ধন্যবাদৰ পাত্ৰ।” উল্লেখ্য যে অসমৰ ভূমিখণ্ডত শান্তি-সম্প্ৰীতি বৰ্তাই ৰাখি বসবাস কৰি থকা নৃগোষ্ঠীসমূহৰ মাজত সামূহিক সদ্ভাৱ আৰু সমন্বয় সংসাধনৰ লক্ষ্যৰে আয়োজন কৰা আজিৰ এই অনুষ্ঠানত কোচ ৰাজবংশী আৰু শৰণীয়া কছাৰী নৃগোষ্ঠী দুটাৰ ক্ৰমে- মাছমৰীয়া (জাকৈ) নৃত্য, পলুপোহা নৃত্য, নৱান খোৱা নৃত্য, গোৱালিনী নৃত্য, কুশান নৃত্য, হুডুম নৃত্য, কোচ-ৰাজবংশী নৃত্য আদিৰ প্ৰদৰ্শন আৰু বিশেষজ্ঞসকলৰ দ্বাৰা ইয়াৰ প্ৰাসংগিক আলোচনাৰে অনুষ্ঠিত হয়। আজিৰ অনুষ্ঠানত অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন শৰ্মা, প্ৰাক্তন ধনভঁৰালী মিহিৰ কুমাৰ বৰুৱা, ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুনু কলিতা, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰ্মন, সম্পাদক অৰুণ মহন্ত, বিশিষ্ট সমাজকৰ্মী হৰকান্ত হাজৰিকা আদি উপস্থিত থকা অনুষ্ঠানটিত মংগল চণ্ডী ব্ৰহ্ম ভাষা-সাহিত্য-সংস্কৃতি গৱেষণা প্ৰতিষ্ঠানৰ আহ্বায়ক অখিল কলিতাই শলাগৰ শৰাই আগবঢ়ায়। সভাৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া উপস্থিত থকা অনুষ্ঠানত জাতীয় সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি পৰে।

# অসম সাহিত্য সভাৰ উদ্যোগত গুৱাহাটীত অভিনন্দন অনুষ্ঠান সম্পন্ন

## ‘বহুত মানুহে নিজকে বেছিকৈ জহাবলৈ লাজ পায়’ ঃ ড° বসন্ত কুমাৰ গোস্বামী




**ৰমেন ভৰালী, বংশৰ ঃ** “বহুত মানুহে নিজকে বেছিকৈ জহাবলৈ লাজ পায়। সেই কাম নকৰে। কিন্তু একাংশ মানুহে কাম নকৰাকৈ বেছিকৈ জহায়। সেয়া সমাজৰ বাবে মংগলজনক নহয়” যোৱা ১ আগষ্টত অসম সাহিত্যৰ সভাৰ উদ্যোগত গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ নেহা আগৰৱালা সভাকক্ষত এক অভিনন্দন অনুষ্ঠানত সভাপতিৰ আসনৰ পৰা অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। ২০২৫ বৰ্ষৰ সাহিত্য অকাদেমিৰ অসমীয়া আৰু বড়ো ভাষাৰ শিশু সাহিত্য লাভ কৰা গুৱাহাটীৰ সুৰেন্দ্ৰ মোহন দাস আৰু কোকৰাঝাৰৰ বিনয় কুমাৰ ব্ৰহ্মৰ লগতে যুৱ সাহিত্য বঁটা লাভ কৰা শিৱসাগৰৰ সুপ্ৰকাশ ভূএঞা আৰু ওডালগুৰিৰ অমৰ খুংগুৰ বড়োক সম্বৰ্ধনা জনোৱা হয়। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানৰ আৰম্ভণিতে গায়ন-বায়নৰ সাহিত্যিকসকলে সভাগৃহলৈ আদৰি আনে। ইয়াৰ পাছত তথ্য প্ৰযুক্তি উপ-সমিতিৰ উপ-সভাপতি নাং অঞ্জনা গগৈ আৰু আহ্বায়ক স্বৰ্গজ্যোতি চেতিয়াই আঁত ধৰা সভাখনত অসম সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ উপ-সভাপতি ৰুমী ভূএঞাৰ নেতৃত্বত সাহিত্যাচাৰ্য্য মিত্ৰদেৱ মহন্ত বিৰচিত ‘চিৰ চেনেহী মোৰ ভাষা জননী’ গীত আৰু অৰ্ণৱ শইকীয়াই বৰগীত পৰিৱেশন কৰে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই সভাৰ উদ্দেশ্য ব্যাখ্যা তথা অভিনন্দন অনুষ্ঠানৰ প্ৰাসংগিক কথাবাৰ্তা আগবঢ়োৱা সভাত উপ-সভাপতি পদুম ৰাজখোৱাই সম্বৰ্ধিত সাহিত্যিক কেইগৰাকীৰ অৱদান সম্পৰ্কে চমু মন্তব্য আগবঢ়ায়। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে সভাপতিৰ ভাষণ প্ৰদান কৰাৰ পাছত সম্বৰ্ধিত শিশু সাহিত্য বঁটা লাভ কৰা সুৰেন্দ্ৰ মোহন দাস, বিনয় কুমাৰ ব্ৰহ্ম আৰু যুৱ সাহিত্য বঁটা লাভ কৰা সুপ্ৰকাশ ভূএঞা আৰু অমৰ খংগুৰ বড়োয়ে সাহিত্যৰ বিভিন্ন দিশ সম্পৰ্কে ভাষণ প্ৰদান কৰে। অসম সাহিত্য সভাৰ পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্ধন উপ-সমিতিৰ আহ্বায়ক চৈয়দ মাৰুফ হুছেইনে শলাগ জ্ঞাপন কৰা অনুষ্ঠানটিত থিয়নাম পৰিৱেশন কৰে মৃগাক্ষী তামুলীৰ সংগীবৃন্দ। সভাৰ বিভিন্ন পৰ্যায়ৰ বিষয়ববীয়া উপস্থিত থকা অনুষ্ঠানত জাতীয় সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি পৰে।

# সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, লক্ষীমপুৰ জিলা সমিতিৰ উদ্যোগত জিলা পুথিভঁৰালত আয়োজিত বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন

**চন্দন শৰ্মা, তেজপুৰ ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, লক্ষীমপুৰ জিলা সমিতিৰ উদ্যোগত জিলা পুথিভঁৰালত আয়োজিত বিশেষ অভিনন্দন অনুষ্ঠান সম্পন্ন । উক্ত অনুষ্ঠানত মূখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি সুনীল ছেত্ৰীয়ে। অনুষ্ঠানত জিলাখনৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে সমাজৰ বিশিষ্ট ব্যক্তিসকলক বিশেষ বঁটা প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰা লক্ষীমপুৰ বিধান সভা সমষ্টিৰ বিধায়ক মানব ডেকাক পৰশুৰাম কটুৱাল স্মৃতি বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত অসম গোৰ্খা সন্মিলনৰ উপ-সভাপতি পদ্ম শৰ্মা, সাধাৰণ সম্পাদক সঞ্জীব ছেত্ৰী, অসম নেপালী সাহিত্য সভাৰ জিলা সভাপতি সঞ্জীৱ উপাধ্যায়, ভাৰতীয় কামী উন্নয়ণ পৰিষদৰ অসম ৰাজ্যৰ সভাপতি চনবীৰ সোনাৰৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।







স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা